# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০২

## খণ্ড - ১

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৱচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচ. ইন

# অধ্যায় ২ ঃ শিক্ষণ আৰু শিকনৰ অভিগমন

**অধ্যায় গাঁথনি ঃ**


২.০ পৰিচয়

২.১ শিক্ষণ উদ্দেশ্য

২.২ শিক্ষণ আৰু শিকনৰ অভিগমন

২.২.১ শিক্ষক কেন্দ্ৰিক অভিগমন

২.২.২ বিষয় কেন্দ্ৰিক অভিগমন

২.২.৩ শিক্ষাৰ্থী কেন্দ্ৰিক অভিগমন

২.২.৪ সমৰ্থ্য ভিত্তিক অভিগমন

২.২.৫ গঠনাত্মকবাদ অভিগমন

২.৩ অভিগমনসমূহৰ তুলনা

২.৪ এই অধ্যায়টিৰ পৰা আমি কি শিকিলো

২.৫ অগ্ৰগতি নিৰীক্ষণৰ বাবে আৰ্হি উত্তৰাৱলী

২.৬ অধিক জানিবলৈ আৰু প্ৰসংগপুথি

২.৭ অধ্যায় শেষৰ অনুশীলনী

# শিক্ষণ আৰু শিকনৰ অভিগমন

**২.০ পৰিচয় ঃ**

প্ৰথম অধ্যায়টোত আপোনালোকে শিক্ষণ আৰু শিকনৰ সৈতে জড়িত হৈ থকা ধাৰণা, প্ৰক্ৰিয়া আৰু উপাদানসমূহৰ বিষয়ে অধ্যয়ন কৰিলে। শিক্ষক হিচাপে আপোনাৰ অভিজ্ঞতাৰ পৰা লগতে আগৰ অধ্যায়টো অধ্যয়ন কৰি আপুনি গম পালে যে প্ৰত্যেক শিশুই এটাই আনটোৰ পৰা পৃথক আৰু সি/তাইৰ শিক্ষণৰ নিজস্ব পথ থাকে। ঠাই আৰু সময়ৰ ওপৰত নিৰ্ভৰ কৰি, শিশুসকলে শিক্ষণৰ বিভিন্ন পদ্ধতি গ্ৰহণ কৰে। সেইবাবে শ্ৰেণীকোঠাত যেতিয়া শিক্ষাৰ্থীৰ দল এটাক শিক্ষা প্ৰদান কৰা হয় তেতিয়া তেওঁলোকক শিক্ষণৰ বিভিন্নতাৰ কথা মনত ৰাখিব লাগে, এইটো হৈছে এগৰাকী শিক্ষক হিচাপে আপুনি লাভ কৰা অভিজ্ঞতাৰ এক প্ৰত্যাহ্বানমূলক কাৰ্য। এটা দলৰ শিশুসকলক কেৱল মাত্ৰ নিৰ্দিষ্ট এটা পদ্ধতি অৱলম্বন কৰি শিক্ষা দিব পৰা নাযায়। এই প্ৰত্যাহ্বানৰ সমাধান আনিবলৈ আপোনালোকে শিক্ষণৰ বিভিন্ন পদ্ধতিবোৰৰ মাজত সমন্বয় আনিব লাগিব আৰু আপোনালোকৰ শ্ৰেণীৰ শিক্ষাৰ্থীৰ শিক্ষণৰ প্ৰয়োজন পূৰাবলৈ উপযুক্তভাৱে এইবোৰ ব্যৱহাৰ কৰিব লাগিব। অন্য ভাষাত ক'বলৈ হ'লে শিক্ষক-শিকনৰ বিভিন্ন অভিগমন আছে, যেনে— শিক্ষক কেন্দ্ৰিক অভিগমন, বিষয় কেন্দ্ৰিক অভিগমন, সমৰ্থ্যভিত্তিক শিক্ষণ আৰু গঠনাত্মক শিক্ষণ। এই অধ্যায়টোত এনে ধৰণৰ অভিগমনসমূহ বৰ্ণনা কৰা হ'ব যাতে আপোনালোকে নিজৰ শ্ৰেণীকোঠাৰ বাবে ফলপ্ৰসু শিক্ষণ পদ্ধতি আৰু অভিগমন গ্ৰহণ কৰি শিক্ষাৰ্থীৰ শিকন ফলপ্ৰসু কৰি তুলিব পাৰিব।

এই অধ্যায়টোৰ ধাৰণাসমূহ আয়ত্ত কৰিবলৈ আপোনালোকক প্ৰায় ১৪ ঘণ্টা সময়ৰ প্ৰয়োজন হ'ব।

**২.১ শিক্ষণ উদ্দেশ্য ঃ**

এই অধ্যায়টিৰ জৰিয়তে আপুনি

- শিক্ষক কেন্দ্ৰিক, বিষয় কেন্দ্ৰিক আৰু শিক্ষাৰ্থী কেন্দ্ৰিক অভিগমনৰ বৈশিষ্ট্যসমূহৰ ব্যাখ্যা কৰিব পাৰিব।
- শিক্ষণ-শিকন পৰিৱেশত এই সকলোবোৰৰ ভূমিকা উল্লেখ কৰিব পাৰিব।
- উদাহৰণসহ কাৰ্যভিত্তিক শিক্ষণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

- নিপুণতা আৰু সামৰ্থৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব।
- শিক্ষণ-শিকন প্ৰক্ৰিয়াত সমৰ্থভিত্তিক অভিগমনৰ বৈশিষ্ট্যসমূহ আৰু উপকাৰিতাসমূহ উল্লেখ কৰিব পাৰিব।
- শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াত বৈশিষ্ট্য আৰু উপকাৰিতাসমূহ বৰ্ণনা কৰিব পাৰিব।
- শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বিভিন্ন অভিগমনসমূহ তেওঁলোকৰ বৈশিষ্ট, উপকাৰিতা, সবলতা-দুৰ্বলতা আদিৰ ওপৰত ভিত্তি কৰি তুলনা কৰিব পাৰিব।

**২.২ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ অভিগমনসমূহ ঃ**

এগৰাকী শিক্ষক আৰু এগৰাকী শিক্ষাৰ্থী হিচাপে শ্ৰেণীকোঠাৰ বিভিন্ন কাৰ্যাৱলীৰ বিষয়ে আপোনালোকৰ অভিজ্ঞতা আছে আহকচোন আমি শ্ৰেণীকোঠাৰ গঠন আৰু তাত কি ঘটে সেইবিষয়ে এবাৰ ভাবি চাওঁ। এটা শ্ৰেণীত প্ৰায় সমান বয়সৰ শিক্ষাৰ্থীৰ দল থাকে, শিক্ষকে তেওঁলোকক শ্ৰেণীকোঠাত বা মুকলি ঠাইত নিজৰ নিয়ন্ত্ৰণত ৰাখে। সাধাৰণতে, এগৰাকী শিক্ষকে এটা বিশেষ বিষয়ৰ পৰা এটা নিৰ্দিষ্ট পাঠ নিৰ্দিষ্ট সময়ৰ ভিতৰত পঢ়ায়। এনেদৰে শ্ৰেণী কোঠাত তিনিটা দিশ থাকে ঃ শিক্ষাৰ্থী, শিক্ষক আৰু বিষয়-বস্তু। ইয়াৰ প্ৰধান লক্ষ্য হৈছে শিক্ষাৰ্থীসকলে যাতে শ্ৰেণীত প্ৰদান কৰা জ্ঞান আৰু বোধ আয়ত্ত কৰিব পাৰে। আপোনালোকে জানে যে এইখিনি হৈছে শ্ৰেণীকোঠাৰ কাৰ্যাৱলীসমূহৰ সাধাৰণ বৰ্ণনা। আকৌ, আহক আমি শিক্ষকৰ শিকনৰ দিশত পুনৰ চকু ফুৰাওঁ। আপোনালোকে ভাবকচোন আপোনালোকৰ শিক্ষকসকলে আপোনালোকক কেনেকৈ শিকাইছিল বা আপোনালোকে শ্ৰেণীত কেনেকৈ শিকায় আৰু তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

- এগৰাকী শিক্ষকে বিভিন্ন পাঠ বিভিন্ন সময়ত শিকাওতে শ্ৰেণীত সদায় একে পদ্ধতি অৱলম্বন কৰে নেকি?
- শিকন ফলপ্ৰসু কৰিবলৈ শিক্ষকে কেনেদৰে এটা পদ্ধতি বা পদ্ধতিৰ মিশ্ৰণক নিৰ্বাচন কৰে? এতিয়া তলৰ পৰিস্থিতিৰ বৰ্ণনা পঢ়ক।

**পৰিস্থিতি ১ ঃ**

মিচ সুস্মিতাই প্ৰাথমিক স্তৰত গণিত শিকাওতে বিভিন্ন পদ্ধতি আৰু কৌশল ব্যৱহাৰ কৰে। যেনে— ছবিৰ আৰু আৰ্হিৰ সহায়ত নিৰ্দেশনাৰে ব্যাখ্যা, শিক্ষাৰ্থীক সমস্যা সমাধান কৰিব দিয়া, গণিতৰ কিছুমান ধাৰণা শ্ৰেণীত প্ৰদান কৰাৰ সময়ত সাধু কোৱা। যেতিয়া এনে পদ্ধতিসমূহ ব্যৱহাৰৰ কথা তেওঁক সোধা হ'ল, তেতিয়া তেওঁৰ উত্তৰ হৈছে 'শিক্ষাৰ্থীসকলৰ মনোযোগ নিৰ্দিষ্ট পাঠত অনাৰ বাবে'। কিন্তু কেনেকৈ তেওঁ পদ্ধতিসমূহ নিৰ্বাচন কৰে? তেওঁ কয় যে 'পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি।' তেওঁ পুনৰ কয় 'শিক্ষাৰ্থীসকলে শিকাৰ বাবে প্ৰস্তুত হৈছে নে, তেওঁলোকে আশা কৰা ধৰণে পাঠৰ ধাৰণাবোৰ আয়ত্ত কৰিব পাৰিছেনে, পাঠৰ অগ্ৰগতিৰ লগে লগে তেওঁলোকৰ মনোযোগ বাঢ়ি গৈছেনে আদি। মই পদ্ধতি বা পদ্ধতিসমূহ এনেদৰে নিৰ্বাচন কৰো আৰু কেতিয়াবা শিকোৱাৰ সময়তো পদ্ধতি

সলনি কৰিবলগীয়া হয়।'

আপোনালোকৰো নিশ্চয় মিচ সুস্মিতাৰ দৰে অভিজ্ঞতা হয়। আপোনালোকে প্ৰত্যেক দিনে নিৰ্দিষ্ট পাঠ পঢ়াবৰ বাবে পৰিকল্পিতভাৱে পদ্ধতি নিৰ্বাচন কৰি লয়, কিন্তু কেতিয়াবা শ্ৰেণীকোঠাৰ পৰিৱেশৰ ফলত নিৰ্দিষ্ট পদ্ধতিৰ পৰিৱৰ্তন কৰিবলগীয়া হয়।

শ্ৰেণী কোঠাৰ কাৰ্যাৱলীৰ তিনিটা প্ৰধান দিশক বিবেচনা কৰি তিনিটা বিশেষ অভিগমনত ভাগ কৰা হয় ঃ

শিক্ষক কেন্দ্ৰিক, বিষয় কেন্দ্ৰিক আৰু শিক্ষাৰ্থী কেন্দ্ৰিক অভিগমন। এই তিনিটাৰ উপৰিও আন দুটা অভিগমন আছে— সমৰ্থ ভিত্তিক অভিগমন আৰু গঠনাত্মক অভিগমন যিবোৰো বৰ্তমান সময়ত বিশেষভাৱে ব্যৱহাৰ কৰা হয় বিশেষকৈ প্ৰাথমিক স্তৰত।

তলৰ তিনিটা শ্ৰেণীৰ কোঠাৰ পৰিস্থিতিক ২, ৩ আৰু ৪ চাবলৈ চেষ্ট কৰক ঃ

**পৰিস্থিতি ২ ঃ**

চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে নিজৰ উচ্চতা অনুসৰি শ্ৰেণীত বহিছে। ল'ৰা আৰু ছোৱালী পৃথকভাৱে বহিছে। তেওঁলোকে মিচ ৰেবাই পঢ়োৱা শুনি আছে, তেওঁ মানুহৰ পাক্ যন্ত্ৰৰ ছবি দেখুৱাই তাৰ বিভিন্ন অংশৰ কাৰ্যাৱলীৰ ব্যাখ্যা কৰিছে। শিক্ষাৰ্থীসকলে মনোযোগেৰে শুনি আছে আৰু শিক্ষকে কোৱাখিনি লিখিছে। এনে সময়ত মিচ ৰেবাই কোনোবা এজন আন ফালে মন দিয়া দেখিছে বা আনৰ সৈতে কথা কোৱা দেখিছে, তেতিয়া তেওঁ তেওঁলোকক খং কৰিছে। তেওঁ শিক্ষাৰ্থীসকলক কৈছে 'মনে মনে বহি থাকা আৰু মই কওঁ শুনা।' যদি কোনোবাই মাজতে প্ৰশ্ন সোধে তেতিয়া তেওঁ কয় সে মোৰ শিকোৱা শেষ হ'বলৈ দিয়া। ব্যাখ্যা আৰু শ্ৰুতলিপিৰ পিছত শ্ৰেণী কিছুসময় মিচ ৰেবাই প্ৰশ্নৰ উত্তৰ দি কটায়। তেওঁ শিক্ষাৰ্থীৰ ভুলবোৰ শুধৰাই দিয়ে আৰু শুদ্ধ উত্তৰ দিয়াসকলক প্ৰশংসা কৰে।

**পৰিস্থিতি ৩ ঃ**

মিঃ আমিৰে পঞ্চম শ্ৰেণীত ভাষা শিকায়। তেওঁৰ শিকোৱাৰ একমাত্ৰ উৎস হৈছে সেই শ্ৰেণীৰ বাবে প্ৰস্তুত কৰা পাঠ্যপুথিখন। তেওঁৰ এখন হাতত পাঠ্যপুথিখন থাকে আৰু আনখত চ'ক এডাল। তেওঁ পাঠৰ এটা অংশ ডাঙৰকৈ পঢ়ে আৰু শ্ৰেণী তেনেদৰে আগবঢ়াই নিব বিচাৰে। তেওঁ শিক্ষাৰ্থীসকলক তেওঁৰ দৰে ডাঙৰকৈ পঢ়িব কয়। তেওঁৰ পাঠটোৰ প্ৰধান দিশবোৰ বুজায় দিয়ে আৰু পাঠৰ শেষত শিক্ষাৰ্থীসকলক প্ৰশ্ন সোধে। যেতিয়া কোনো ছাত্ৰই প্ৰশ্ন সোধে তেতিয়া মিঃ আমিৰে পাঠৰ নিৰ্দিষ্ট একোটা ছেদ চাই উত্তৰ উলিয়াব দিয়ে। শ্ৰেণীৰ শেষত তেওঁ পাঠৰ শেষত থকা অনুশীলনী কৰিব কয়। তেওঁৰ পাঠ্যপুথিৰ বাহিৰত নাযায়।

**পৰিস্থিতি ৪ ঃ**

মিচ সীমাই তৃতীয় শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ সৈতে স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে বিভিন্ন কাৰ্যাৱলী প্ৰস্তুত কৰাত ব্যস্ত হৈ আছিল। তেওঁ এনে প্ৰস্তুতিবোৰৰ দ্বাৰা শিক্ষাৰ্থীসকলক উৎসাহিত কৰিছিল। শিক্ষাৰ্থীসকলে নিজৰ মাজত কিছুমান দল গঠন কৰিছিল আৰু বিভিন্ন কামত নিয়োজিত হৈছিল। এটা দলে শ্ৰেণীকোঠা সজাইছিল, এটা দলে দেশপ্ৰেমমূলক গীতসমূহ নিৰ্বাচন কৰিছিল, আন এটা দলে মহান নেতাসকলৰ ছবি সংগ্ৰহ কৰিছিল ইত্যাদি। মিচ সীমাই অনবৰতে শিক্ষাৰ্থীসকলক সহায় কৰিছিল আৰু এনেদৰে শ্ৰেণীৰ কাৰ্যাৱলীসমূহে অগ্ৰগতি লাভ কৰিছিল।

এনে পৰিস্থিতিবোৰ চাই তলৰ প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰক।

প্ৰঃ ১ ওপৰত উল্লেখ কৰা তিনিটা পৰিস্থিতিৰ কোনটো শিক্ষকৰ বেছি নিয়ন্ত্ৰণত আছিল?

প্ৰঃ ২ কোনটো পৰিৱেশত শিক্ষাৰ্থীসকলে মুক্তভাৱে কাম কৰাৰ সুযোগ পাইছিল?

প্ৰথম পৰিস্থিতিত, শিক্ষক শ্ৰেণীটো সম্পূৰ্ণভাৱে নিয়ন্ত্ৰণ কৰিছিল। তেওঁ কাৰ্যবোৰ কৰিছিল বা শিক্ষাৰ্থীসকলক কৰিবলৈ নিৰ্দেশনা দিছিল। এই শ্ৰেণীটোত সকলোখিনি শিক্ষকৰ ওপৰত নিৰ্ভৰশীল আছিল আৰু শিক্ষাৰ্থীসকলে ক'বলৈ কম সুবিধা পাইছিল। এই শ্ৰেণীটো হৈছে শিক্ষক কেন্দ্ৰিক অভিগমন গ্ৰহণ কৰা শ্ৰেণীকোঠাৰ উদাহৰণ।

দ্বিতীয় পৰিস্থিতিত, শিক্ষক আৰু শিক্ষাৰ্থী উভয়ে পাঠ্যপুথিৰ নিৰ্দেশনা অনুসৰি বিষয়বস্তুৰ ওপৰত গুৰুত্ব প্ৰদানেৰে আগবাঢ়িছিল। এইটো হৈছে বিষয় কেন্দ্ৰিক অভিগমনৰ উদাহৰণ। শেষৰটো পৰিস্থিতিত, শিক্ষাৰ্থীসকলৰ পৰিৱেশটোত নিৰ্দেশনা প্ৰদান কৰা হৈছিল, তেওঁলোক নিজৰ ইচ্ছা অনুসৰি বিভিন্ন পৰিৱেশত নিজ নিজ কাৰ্য সম্পাদন কৰিছিল আৰু ইয়াৰ পৰা বহুত শিকিছিল। এইটো হৈছে শিশু কেন্দ্ৰিক বা শিক্ষাৰ্থী কেন্দ্ৰিক অভিগমনৰ উদাহৰণ।

আহকচোন আমি এতিয়া এই তিনিওটা অভিগমনৰ বিষয়ে বিশদভাৱে আলোচনা কৰোঁ।

**২.২.১ শিক্ষক কেন্দ্ৰিক অভিগমন ঃ** শিক্ষাৰ্থী হিচাপে আমাৰ অভিজ্ঞতাৰ পৰা আৰু অন্য দিশৰ পৰা আমি বিশ্বাস কৰোঁ যে শিক্ষক হৈছে শ্ৰেণীৰ সকলো কাৰ্যাৱলীৰ শাসন কৰ্তা স্বৰূপ। শ্ৰেণীত যি কৰা হয়, বহাৰ কাৰ্যৰ পৰা আৰম্ভ কৰি, কি আৰু কেতিয়া শিকোৱা হ'ব, অনুশাসন বজাই ৰখা, প্ৰশ্ন সোধা, শিক্ষাৰ্থীক পৰিমানৰ ধৰণ আৰু সময় আদিবোৰ শিক্ষকে নিৰ্ধাৰণ কৰে।

এই অভিগমনৰ প্ৰধান বিশ্বাস হৈছে এয়ে যে শিক্ষাৰ্থীয়ে জানিব লগা সকলোখিনি শিক্ষকে জানে। সেইবাবে, শিক্ষকে সকলো জ্ঞান আৰু কৌশল শিক্ষাৰ্থীক প্ৰধান কৰিব লাগে। আমি সাধাৰণতে 'ভাল' বুলি অভিহিত কৰা শিক্ষাৰ্থী এগৰাকীয়ে এই জ্ঞান স্মৃতিত সংৰক্ষণ কৰি ৰাখে আৰু চাহিদা অনুযায়ী তাক পুনঃস্মৰণ কৰে। অন্যহাতে, যিবোৰৰ স্মৃতিশক্তি দুৰ্বল তেওঁলোকে ইয়াক সংৰক্ষণ বা পুনঃস্মৰণ কৰিব নোৱাৰে। আন কথাত ক'বলৈ হ'লে স্মৃতি প্ৰক্ৰিয়া আৰু তাৰ পৰা পুনঃ স্মৰণ হৈছে এই অভিগমনৰ দুটা মূল প্ৰক্ৰিয়া। বিখ্যাত শৈক্ষিক চিন্তাবিদ পেলো ফ্ৰিৰে (Paulo Friere) এই প্ৰক্ৰিয়াটোক

'Banking Education' বুলি অভিহিত কৰিছে।

> **কাৰ্যাৱলী ২.১**
>
> শিক্ষকে শিকোৱা শ্ৰেণী অতি কমেও পাঁচোটা নিৰীক্ষণ কৰক আৰু শিক্ষক তথা শিক্ষাৰ্থীৰ কাৰ্যাৱলীৰ বৈশিষ্ট্যসমূহৰ তালিকা প্ৰস্তুত কৰক। শিক্ষক কেন্দ্ৰিক অভিগমনৰ সুবিধাসমূহ লিখক।
>
> যদি আপুনি আপোনাৰ কাৰ্যাৱলী শেষ কৰিছে, তেন্তে আপোনাৰ নিৰীক্ষক তলত উল্লেখ কৰা তালিকাৰ সৈতে তুলনা কৰক।

শিক্ষক কেন্দ্ৰিক অভিগমনৰ বৈশিষ্ট্যসমূহ ঃ

- শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ শিক্ষক কেন্দ্ৰিক অভিগমনৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল।
- জ্ঞান শিক্ষকৰ পৰা শিক্ষাৰ্থীলৈ প্ৰেৰিত হয়।
- শিক্ষণতকৈ অধিক শিকন/নিৰ্দেশনা/উদ্দেশ্যৰ গুৰুত্ব দিয়া হয়।
- সাধাৰণ শিক্ষাৰ্থীৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকে শিকনৰ পাঠ্যসূচী আৰু পদ্ধতি স্থিৰ কৰে। শিকন প্ৰদান কৰাৰ সময় প্ৰত্যেক শিক্ষাৰ্থী প্ৰয়োজন আৰু আগ্ৰহক কম গুৰুত্ব দিয়া হয়।
- নিষ্ক্ৰিয় শিক্ষণ, পঢ়া আৰু লিখা, কোনো বস্তুৰ পুনঃস্মৰণ শিক্ষকে শিকোৱা ধৰণে কৰা হয়।
- শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ অংশগ্ৰহণ শিক্ষকৰ নিৰ্দেশনা অনুযায়ী হয়। বেছিভাগ ক্ষেত্ৰতে, শিক্ষকে তৰ্ক আৰু আলোচনা, ভাবৰ আদান-প্ৰদানৰ বাবে কম সময় দিয়ে।
- শিক্ষকসকলে বেছি ভাগ পাঠ্যক্ৰমৰ পাঠ্যসূচী সম্পূৰ্ণ কৰাত ব্যস্ত থাকে।
- শিক্ষকসকলে শুদ্ধ উত্তৰত কেন্দ্ৰীভূত হয়।
- শ্ৰেণীকোঠাৰ পৰিচালনা সম্পূৰ্ণৰূপে শিক্ষকৰ ওপৰত নিৰ্ভৰশীল, কেতিয়াবা তেওঁৰ অভিজ্ঞতা, সামৰ্থ আৰু কেতিয়াবা তেওঁৰ কল্পনা আৰু অবিবেচনাৰ ওপৰত শ্ৰেণীৰ পৰিচালনা জড়িত হয়।
- শ্ৰেণী কোঠাৰ অনুশাসনৰ নীতি আৰু তাৰ প্ৰয়োগ শিক্ষকৰ নিয়ন্ত্ৰণৰ ওপৰত নিৰ্ভৰশীল।
- স্কুল/শ্ৰেণীৰ অনুশাসনৰ হৈছে শিক্ষাৰ্থীৰ শিক্ষকৰ প্ৰতি থকা আনুগত্য।
- বাহ্যিক অভিৰোচন যেনে— প্ৰশংসা আৰু প্ৰত্যাখান; পুৰস্কাৰ আৰু শাস্তি সাধাৰণতে শিক্ষকে ব্যৱহাৰ কৰে।

যদি আপোনালোকে শিক্ষক কেন্দ্ৰিক অভিগমনৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰে, তেতিয়া আপোনালোকে আৰু কিছুমান বৈশিষ্ট্যৰ তালিকা বনাব পাৰিব। এতিয়া তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক।

প্ৰঃ ৩ তলত উল্লেখ কৰা কোনটো শিক্ষক কেন্দ্ৰিক অভিগমনৰ অন্তৰ্গত নহয়?

ক) শিক্ষকে দিয়া শ্ৰুতলিপি শিক্ষাৰ্থীসকলে লিখা।

খ) শিক্ষাৰ্থীসকলে দলীয়ভাৱে মাটি আৰু কাগজেৰে বিভিন্ন আৰ্হি তৈয়াৰ কৰা।

গ) খেল পথাৰত শিক্ষাৰ্থীয়ে সমূহীয়া ড্ৰিল কৰি থকা। আপোনাৰ উত্তৰ সপক্ষে কমেও এটা যুক্তি আগবঢ়াওক।

**শিক্ষক কেন্দ্ৰিক অভিগমনৰ উপকাৰিতা ঃ**

এই অভিগমনটো সম্পূৰ্ণৰূপে শিক্ষকৰ ওপৰত নিৰ্ভৰশীল। যদি শিক্ষকগৰাকীৰ মন ইতিবাচক হয় তেন্তে তেওঁ নতুন বস্তু শিকাৰ উৎসাহ দিব পাৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক বিস্তৃত অভিজ্ঞতা প্ৰদান কৰিব পাৰিব।

- পৰিপক্ক আৰু অভিজ্ঞ ব্যক্তিৰ (শিক্ষক) পৰা জ্ঞান, তথ্য আৰু কৌশল উঠি অহা চামলৈ প্ৰেৰণ কৰা। এই দিশত কিছু বিতৰ্ক আছে যদি প্ৰচলিত শ্ৰেণীকোঠাৰ পৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে সফলতা লাভ কৰিছে, যিয়ে তেওঁলোকৰ বুদ্ধি বিকশাই তুলিছে।
- শিক্ষাৰ্থীসকলৰ বাবে শিক্ষা ক্ষেত্ৰত বহুতো নতুন, অপৰিচিত বা বিমূৰ্ত ধাৰণা আছে, যিবোৰ শিক্ষাৰ্থীসকলে নিজে শিকাটো সহজ নহয়। শিক্ষকে এইবোৰৰ প্ৰত্যক্ষ ব্যাখ্যা কৰিলে শিক্ষাৰ্থীসকল ফলপ্ৰসু হ'ব।
- কিছুমান আহিলা, সামগ্ৰী আৰু পৰিৱেশ শিক্ষাৰ্থীসকলে মুখামুখি হোৱাটো বিপদজনক হ'ব পাৰে। এনে ক্ষেত্ৰত, শিক্ষকে পৰীক্ষা বা কাৰ্যাৱলীৰ নিৰ্দেশনা প্ৰদান কৰা উচিত।
- এটা ডাঙৰ শ্ৰেণীকোঠাত, য'ত বহুত শিক্ষাৰ্থী থাকে, তেনে ক্ষেত্ৰত শিকনৰ এক সফল পদ্ধতিৰ প্ৰয়োজন।

  শিক্ষক কেন্দ্ৰিক অভিগমনৰ সীমাবদ্ধতা এই অভিগমনৰ যথেষ্ট সীমাবদ্ধতা আছে। ইয়াৰে কেইটামান তলত দাঙি ধৰা হ'ল।

- ইয়াত যিহেতু কোনো বস্তুৰ শিকন বা ভাবধাৰাক শিক্ষকে অৱতাৰণা কৰে, সেইবাবে শিক্ষাৰ্থীয়ে ভাল নাপায় আৰু মনোযোগত ব্যাঘাত জন্মে।
- যদি শিক্ষকৰ জ্ঞানৰ পৰিসৰ সীমাবদ্ধ হয়, তেন্তে তেওঁ শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা পূৰণত অপৰাগ হয়।
- শিক্ষাৰ্থীসকলৰ মাজত তৰ্ক আৰু আলোচনাৰ কোনো সুবিধা নাথাকে।
- ডাঙৰ শ্ৰেণীত, শিক্ষাৰ্থীসকলক ব্যক্তিগত মনোযোগ দিব নোৱাৰে।
- শিক্ষকে কেতিয়াও ছাত্ৰ-ছাত্ৰীক চিন্তা নিপুণতাৰ বাবে কোঠা নিদিয়ে। ই ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতাত বাধা জন্মায়।
- মূল্যায়ন প্ৰক্ৰিয়া প্ৰধানকৈ সামগ্ৰীক বিধৰ। বৰ্তমান সময়ৰ নিচিনা এই অভিগমনত অবিৰত

আৰু সামগ্ৰীক মূল্যায়নৰ সুবিধা নাই।

- শিক্ষকে পাঠ্যক্ৰম সময়মতে সম্পূৰ্ণ কৰাটো জৰুৰী। যদি শিক্ষাৰ্থীসকলে ধাৰণাবোৰ বুজি নাপায়, তেন্তে বেছি ডাঙৰ কথা নহয়।

প্ৰঃ ৪ শিক্ষক কেন্দ্ৰিক অভিগমনৰ ক্ষেত্ৰত তলৰ কোনবোৰ উক্তি সত্য?

ক) এটা শ্ৰেণীৰ বাবে প্ৰস্তুত পাঠ্যক্ৰম নিৰ্দিষ্ট সময়ত সম্পূৰ্ণ হ'ব লাগিব।

খ) শিক্ষাৰ্থীৰ উপযুক্ত পঢ়ন সামৰ্থ্যৰ বিকাশ হয়।

গ) এই অভিগমনৰ শিক্ষাৰ্থীসকল বেছি নিয়মানুবৰ্তিতা।

প্ৰত্যেক উক্তিৰ প্ৰতিক্ৰিয়াৰ বাবে কমেও এটা যুক্তি দিয়ক।

**২.২.২ বিষয় কেন্দ্ৰিক অভিগমন ঃ**

বিষয় কেন্দ্ৰিক অভিগমনৰ মূল দিশ হৈছে শিক্ষকে শিক্ষাৰ্থীক প্ৰদান কৰা পাঠ্যসূচী, বিষয়টোৰ অন্তৰ্গত পাঠৰ ওপৰত অধিক গুৰুত্ব প্ৰদান, যাৰ চাৰিওফালে সমগ্ৰ শিক্ষণ শিকন প্ৰক্ৰিয়াটো ঘূৰে। বেছিভাগ স্কুলতে নিৰ্দিষ্টভাৱে ধাৰ্য কৰি দিয়া পাঠ্যক্ৰম আৰু পাঠ্যপুথিক শিক্ষণ-শিকনৰ বাবে কঠোৰভাৱে মানি চলা হয়। বিষয়ৰ পাঠ্যপুথিখন হৈছে ধাৰণা, উদাহৰণ আৰু অনুশীলনীৰ ভড়াল সদৃশ, যিবোৰ শিক্ষণ-শিকনৰ প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয়। নিৰ্দিষ্ট শ্ৰেণীৰ বাবে ধাৰ্য কৰা পদ্ধতি এই ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।

> 'পাঠ্যপুথিয়ে পাঠ্যক্ৰমক সাকাৰ ৰূপ দিয়ে, ইয়াৰ অন্তৰ্গত সকলোখিনি শিকাব লাগে। ই এক পদ্ধতিগত নিৰ্দেশনা সদৃশ যাক পঢ়িব লাগে আৰু গুৰুত্বপূৰ্ণ অংশসমূহ পঢ়ন পুনৰাবৃত্তিৰ দ্বাৰা মনত ৰাখিব লাগে। প্ৰত্যেক অধ্যায়ৰ শেষত থকা প্ৰশ্নসমূহৰ উত্তৰ মৌখিকভাৱে বা লিখিত আকাৰত কৰিলে পাঠ্যপুথিখনক পুনৰাবৃত্তি কৰা যেন হয়।'

এতিয়া আমি 'নেচনেল কাৰিকুলাম ফ্ৰেমৱৰ্ক'-এ (National Curriculum Framework) (২০০৫) আগবঢ়োৱা মতামত বিবেচনা কৰোঁ। এই ক্ষেত্ৰত ফ্ৰেমৱৰ্কে তলত উল্লেখ কৰা বিষয় কেন্দ্ৰিক অভিগমনৰ ওপৰত আগবঢ়োৱা মতামতসমূহ হৈছে এনেধৰণৰ—

- পাঠ্যপুথি হৈছে শিক্ষকৰ বাবে প্ৰধান আৰু একমাত্ৰ উৎস।
- প্ৰতিটো শব্দ, বাক্যাংশ আৰু বিষয়বস্তু শিক্ষাৰ্থীৰ আগত দাঙি ধৰা হয়।
- পাঠ্যপুথিৰ সূচী/বিষয়বস্তু আদি হৈছে শিক্ষকৰ বাবে আৰ্হিসদৃশ যাৰ দ্বাৰা তেওঁ শিকন পদ্ধতি নিৰ্ণয় কৰিব পাৰে।
- পুনঃ পঠনৰ দ্বাৰা শিক্ষাৰ্থীৰ স্মৃতিৰ ওপৰত গুৰুত্ব দিয়া হয়।
- অধ্যায়ৰ শেষ থকা প্ৰশ্নসমূহ শিক্ষাৰ্থীসকলৰ মূল্যায়নৰ বাবে প্ৰদান কৰা হয়।
- শিক্ষাৰ্থীসকলে পাঠ্যপুথি চাই মৌখিক আৰু লিখিতভাৱে প্ৰশ্নসমূহৰ উত্তৰ দিব লাগে।

- শিক্ষাৰ্থীসকলে মৌখিক বা লিখিত আকাৰত প্ৰশ্নৰ উত্তৰসমূহ দাঙি ধৰিব পাৰে।

বিষয়কেন্দ্ৰিক অভিগমনৰ বৈশিষ্ট্যসমূহ ঃ

এই অভিগমনৰ বৈশিষ্ট্যসমূহ তলত দাঙি ধৰা হ'ল—

- ইয়াত বিষয়বস্তুৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু সেইবাবে শ্ৰেণীত পাঠ্যপুথিখন হৈছে সকলো কাৰ্যাৱলীৰ মূল ভিত্তি।
- বিষয়বস্তুৰ ওপৰত পাৰ্গতালি থকা বাবে শিক্ষকগৰাকী হৈছে ছাত্ৰ-ছাত্ৰীৰ আৰ্হি স্বৰূপ।
- শিক্ষাৰ্থীসকলৰ শিক্ষণ প্ৰয়োজনীয়তাসমূহ পাঠ্যপুথিৰ দ্বাৰা পূৰণ হ'ব বুলি ভবা হয়।
- শ্ৰেণীকোঠাৰ পাঠ্যপুথিত বাস্তৱ জীৱনৰ সামঞ্জস্য থকা পাঠ কমেই পোৱা যায়।
- শ্ৰেণীৰ সকলো আদান-প্ৰদান পাঠ্যপুথিকেন্দ্ৰিক।
- ইয়াত গুণগত দিশতকৈ পৰিমানগত দিশত অধিক গুৰুত্ব দিয়া হয়।
- পৰিমাপনৰ বাবে পাঠ্যপুথিৰ প্ৰশ্নসমূহ ব্যৱহাৰ কৰা হয়।

এই অভিগমনে শিক্ষাৰ্থীক পাঠ্যসূচীৰ বিষয়বস্তু সীমিত সময়ৰ ভিতৰত প্ৰকাশৰ সুবিধা দিয়ে। যেতিয়া নিৰ্দিষ্ট সময়ৰ ভিতৰত পাঠসূচী শেষ হয়, তেতিয়া শিক্ষাৰ্থীসকলে বহলভাৱে অনুশীলন কৰিবলৈ সুবিধা পায় আৰু বিষয়বস্তু পুংখানুপুংখভাৱে শিকিব পাৰে।

অন্য দিশত, শিক্ষাৰ্থীয়ে আহৰণ কৰা জ্ঞান পুথিকেন্দ্ৰিক। শিকন-শিক্ষণ প্ৰক্ৰিয়াত কোনো ধৰণৰ নতুনত্ব নাই। বেছিভাগ সময় মুখস্থ আৰু তাৰ পুন স্মৰণত লগোৱা হয়, অৰ্থপূৰ্ণ শিক্ষণত নহয়। সেইবাবে শিক্ষক আৰু শিক্ষাৰ্থীসকলে প্ৰশ্নকৌশলৰ বিকাশৰ সুবিধা নাপায়। তেওঁলোকে পাঠ্যপুথিৰ অধ্যায়ৰ শেষত থকা প্ৰশ্নসমূহৰ সৈতে ব্যস্ত থাকিবলগীয়া হয়। অবিৰত আৰু সামগ্ৰীক মূল্যায়নে পাঠ্যপুথিৰ সকলো ধাৰণা আৰু তাৰোপৰি শিক্ষণৰ ফলস্বৰূপে হোৱা ব্যক্তিত্ব বিকাশৰ দিশসমূহ মূল্যায়নৰ ক্ষেত্ৰত অসমৰ্থ।

আৰু আগলৈ যোৱাৰ আগতে আপোনালোকৰ অগ্ৰগতি নিৰীক্ষণ কৰা হ'ব।

প্ৰঃ ৫ তলত কিছুমান উক্তি দাঙি ধৰা হৈছে। ইয়াৰে কোনবোৰ বিষয়কেন্দ্ৰিক অভিগমনৰ বাবে উপযুক্ত তাক নিৰ্দেশ কৰক।

ক) শিক্ষকে কেতিয়াবাহে শ্ৰেণীত পাঠ্যপুথি ব্যৱহাৰ কৰে।

খ) প্ৰত্যেক অধ্যায়ৰ শেষত দিয়া প্ৰশ্নসমূহ ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ কৰে।

গ) বাস্তৱ জীৱনৰ অভিজ্ঞতাত গুৰত্ব দিয়া হয়।

ঘ) ছাত্ৰ-ছাত্ৰীয়ে সদায় পাঠ্যসূচী মুখস্থ কৰিবলৈ চেষ্টা কৰে।

ঙ) পাঠ্যপুথিখনত শিক্ষণৰ প্ৰধান উৎস হিচাপে গণ্য কৰা হয়।

### ২.২.৩ শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমন ঃ

আগৰ অংশত আপেনালোকে শিক্ষককেন্দ্ৰিক আৰু বিষয়কেন্দ্ৰিক অভিগমনৰ বিষয়ে অধ্যয়ন কৰিলে। দুয়োটা অভিগমনেই আমাৰ সাধাৰণতে প্ৰচলিত আৰু দুয়োটাৰ মাজত কিছু ক্ষেত্ৰত কম পৰিমাণে সাদৃশ্যও আছে। কথিত আছে যে ‘শিক্ষকে জনক লেটিন শিকায়’। ইয়াত শিক্ষক বা লেটিন কোনোটোৱে গুৰুত্বপূৰ্ণ নহয়। কিন্তু জন গুৰুত্বপূৰ্ণ। জন হৈছে শিক্ষাৰ্থী আৰু শিক্ষক-শিকন প্ৰক্ৰিয়াৰ কেন্দ্ৰবিন্দু। এনেদৰে যিটো অভিগমনে শিক্ষাৰ্থীৰ ফালে নিদেৰ্শ কৰে তেনে অভিগমনক শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমন বোলা হয়, এইটো শাখাত ইয়াৰ বিষয়ে আলোচনা কৰা হ'ব।

তলৰ পৰিস্থিতিবোৰ পঢ়ক। আপোনালোকে গম পাব যে আগৰ অভিগমনন দুটাতকৈ শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমন পৃথক।

**পৰিস্থিতি ৫ ঃ**

ভাষা শিক্ষক মিঃ সলিলে পঢ়োৱাৰ সময়ত পঞ্চম শ্ৰেণীত প্ৰাথনিক আহিলা হিচাপে পাঠ্যপুথিখন ব্যৱহাৰ কৰিছে। তেওঁ এখন হাতত পাঠ্যপুথি আৰু আনখন হাতত চ'ক এডাল লৈ আছে। তেওঁ বিষয়টো পঢ়ি দিছে। যেতিয়া প্ৰয়োজন হৈছে তেওঁ বোৰ্ড ব্যৱহাৰ কৰিছে। তেওঁ পাঠটোৰ গুৰুত্বপূৰ্ণ দিশবোৰ বৰ্ণনা কৰি দিছে আৰু অধ্যায়ৰ শেষত থকা প্ৰশ্নসমূহ সুধিছে। যেতিয়া কোনোবা ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্ন সোধে তেতিয়া তেওঁ সেই প্ৰসংগ থকা ছেদটো পঢ়ি উত্তৰ উলিয়াবলৈ কৈছে। তেওঁ শিক্ষাৰ্থীক বুজাবলৈ পাঠ্যপুথিৰ বাহিৰত কোনো উদাহৰণ দাঙি ধৰা নাই। পৰীক্ষাত বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে বোধ যুক্ত প্ৰশ্নবোৰৰ উত্তৰ কৰিব পৰা নাই কাৰণ এনে প্ৰশ্নসমূহ প্ৰত্যক্ষভাৱে পাঠ্যপুথিৰ পৰা দিয়া হোৱা নাছিল।

**পৰিস্থিতি ৬ ঃ**

বিজ্ঞান শিক্ষক মিচ মিশ্ৰই কিছুমান শিক্ষণ আহিলা সহ পঞ্চম শ্ৰেণীত প্ৰৱেশ কৰিছে। তেওঁ এখন হাতত পাঠ্যপুথিখন লৈ আছে, অন্য হাতত চ'ক লৈ কিছুমান ধাৰণা বোৰ্ডত লিখি দিছিল আৰু লগতে নিজৰ ফালৰ কিছুমান উদাহৰণ দিছিল। যদি শিক্ষাৰ্থীসকলে বুজি পোৱা নাছিল, তেতিয়া তেওঁ পুনৰ অন্য উদাহৰণ দিছিল। তেওঁ শিক্ষণৰ সঁজুলিসমূহ ব্যৱহাৰ কৰিছিল আৰু ছাত্ৰ-ছাত্ৰীকো ব্যৱহাৰ কৰিব দিছিল। তেওঁ নিজে চিন্তা কৰি শিক্ষাৰ্থীসকলক কিছুমান প্ৰশ্ন সুধিছিল। তেওঁ কিছুমান দলীয় কাৰ্য কৰিব দিছিল। তেওঁ খুব কমেহে পাঠ্যপুথিৰ পৰা ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিছিল। তেওঁ পাঠ্যপুথিৰ বাহিৰৰ পৰা কিছুমান সূচী দিছিল যাতে ছাত্ৰ-ছাত্ৰীৰ বোধ জন্মে। পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলে বোধযুক্ত প্ৰশ্নসমূহৰ উপযুক্তভাৱে শুদ্ধ উত্তৰ লিখিব পাৰিছিল।

যদি আপোনালোকে ওপৰত উল্লেখ কৰা দুয়োটা পৰিস্থিতিৰ মাজত তুলনা কৰে, তেন্তে আপোনালোকে কোনটো শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমন তাক ক'ব পাৰিব।

এতিয়া এটা স্পষ্ট ধাৰণা ল'বলৈ শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমনৰ বৈশিষ্ট্যসমূহ পঢ়ক।

শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমনৰ বৈশিষ্ট্যসমূহ ঃ

- এই অভিগমনত ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি শিক্ষণৰ পদ্ধতি আৰু কৌশলসমূহ নিৰ্ধাৰণ কৰা হয়।
- শিক্ষকে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ আৰম্ভণিতে শিক্ষাৰ্থীক অভিৰোচিত কৰিবলৈ চেষ্টা কৰে।
- শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিক্ষকগৰাকী হৈছে সুবিধা প্ৰদানকাৰী, নিৰ্দেশক নহয়।
- শিক্ষণ প্ৰক্ৰিয়াৰ বাবে পৰিৱেশ গঢ়ি তোলা হয়।
- ছাত্ৰ-ছাত্ৰীসকলে দলীয় আৰু ব্যক্তিগত দুয়োটা দিশতে কাম কৰে।
- ছাত্ৰ-ছাত্ৰী সমনীয়াৰ সৈতে হোৱা আদান-প্ৰদানৰ পৰা শিকে।
- ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্ন সোধা আৰু পৰীক্ষা কৰিবলৈ সুবিধা দিয়া হয়।
- ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণীকোঠাৰ কাৰ্যাৱলী চাই বহাৰ সুবিধা দিয়া হয়।
- মান নিৰ্ধাৰণ হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক অংশ আৰু শিশুসকলক তেওঁলোকৰ কাৰ্যাৱলী কৰাৰ সময়ত মান নিৰ্ধাৰণ কৰা হয়। সেইবাবে শিক্ষণ প্ৰক্ৰিয়া আৰু মান নিৰ্ধাৰণ একেলগে সংঘটিত হয়।
- বহু ধৰণৰ শিক্ষণ আহিলা ব্যৱহাৰ কৰা হয় যিবোৰ শিক্ষক আৰু শিক্ষাৰ্থীয়ে কৌশলেৰে ব্যৱহাৰ কৰে।
- ইয়াত শিক্ষণৰ পৰিৱেশ গণতান্ত্ৰিক।
- ছাত্ৰ-ছাত্ৰীয়ে প্ৰায়ে নিজৰ ধাৰণা স্পষ্ট কৰিবলৈ শিক্ষকক প্ৰশ্ন সোধে।

আপোনালোকে ওপৰত উল্লেখ কৰা তালিকাখনত আৰু অধিক দিশ অন্তৰ্ভুক্ত কৰিব পাৰিব।

ছাত্ৰ-ছাত্ৰীৰ সৈতে শ্ৰেণীত কাৰ্যাৱলী কৰাটো শিক্ষণৰ বাবে অতি গুৰুত্বপূৰ্ণ। সেইবাবে বৰ্তমান আমাৰ দেশত প্ৰাথমিক বিদ্যালয়ত কাৰ্যভিত্তিক শিক্ষণৰ (Activity-Based Learning– ABL) প্ৰয়োগ বৃদ্ধি পাইছে।

**কাৰ্য ভিত্তিক শিক্ষণ (ABL)**

কাৰ্যভিত্তিক শিক্ষণ শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমনৰ এক ধাৰণা। কাৰ্য বা শিক্ষণ কাৰ্যত শিক্ষাৰ্থীসকলে ইচ্ছাকৃতভাৱে আৰু স্বতঃস্ফুৰ্তভাৱে অংশগ্ৰহণ কৰিব লাগে আৰু ইয়াৰ পৰা প্ৰয়োজনীয় শিক্ষণৰ ফলাফল লাভ কৰিব পৰা যায়। এই অভিগমনত শিক্ষণ প্ৰক্ৰিয়া আৰু শিক্ষণ ফলাফল দুয়োটাতে প্ৰাধান্য দিয়া হয়।

বিশদভাৱে জানিবৰ বাবে এই পাঠ্যৰ ৪নং অধ্যায়টো চাওক।

শিক্ষাৰ্থী কেন্দ্ৰিক অভিগমনত কাৰ্যৰ উদাহৰণ এটা চাওঁ আহক ঃ

কাৰ্য— মানচিত্ৰৰ পঢ়ন                                    শ্ৰেণী ঃ পঞ্চম

দুগৰাকী ছাত্ৰ-ছাত্ৰীয়ে তাজমহল চাবলৈ আগ্ৰালৈ গৈছিল। আগ্ৰা পোৱাৰ পাছত এগৰাকী পৰ্যটকে তেওঁলোকক এখন মেপ দিছিল আগ্ৰাৰ বিভিন্ন ঠাইবোৰ উলিয়াবৰ বাবে। এতিয়া ভাবক যে আপুনি তাত আছে আৰু ছাত্ৰ-ছাত্ৰীক মানচিত্ৰৰ ঠাই উলিয়াবলৈ সহায় কৰিব লাগে। তেওঁলোকক প্ৰত্যক্ষভাৱে ঠাইবোৰ দেখুওৱা আৰু বস্তুবোৰ কোৱাৰ পৰিৱৰ্তে আপুনি তলত দিয়া ধৰণে কৰিব পাৰে।

- মানচিত্ৰখন তেওঁলোকক দিব পাৰে।
- যিবোৰ চিত্ৰই ৰে'লৰ ৰাস্তা বুজাইছে সেইবোৰৰ সৈতে তেওঁলোকক পৰিচয় কৰাই দিব পাৰে।
- তেওঁলোকক দূৰত্ব উলিওৱাত সহায় কৰিব পাৰে। তেওঁলোকক মানচিত্ৰৰ পৰা তলত দিয়াবোৰ উলিয়াব দিব লাগে।

১. কোনটো আগ্ৰা কেণ্টৰ পৰা বেছি দূৰত অৱস্থিত?

ৰে'লৰ ষ্টেচন, তাজমহল বা ফাটেহপুৰ চিক্ৰি

২. কোনটো ৰেলৰ ষ্টেচনৰ ওচৰ?

(i) বৰৰপুৰ বনাঞ্চল বা তাজ বনাঞ্চল

(ii) আগ্ৰা বনাঞ্চল বা তাজমহল।

৩. কোনটো যমুনা নদীৰ ওচৰত?

তাজমহল বা ৰেলৰ ষ্টেচন

(উৎস ঃ Book on Assessment in Enviornment Studies, P, By NCERT, New Delhi)

আপুনি ভাবেনে যে কাৰ্যাৱলী শিক্ষককেন্দ্ৰিক শ্ৰেণীতকৈ পৃথক? শিক্ষক বা ছাত্ৰ কাৰ অংশগ্ৰহণ বেছি? ওপৰৰ আলোচনাৰ পৰা শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমনৰ উপকাৰিতা সম্পৰ্কে আলোচনা কৰোঁ আহক।

শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমনৰ উপকাৰিতাসমূহ ঃ

- ই ছাত্ৰ-ছাত্ৰীক শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ কেন্দ্ৰবিন্দুত ৰাখে।
- শিক্ষকসকলে শিক্ষাৰ্থীসকলক অৰ্থপূৰ্ণ দিশেৰে শিক্ষা দিবলৈ শিক্ষণ প্ৰক্ৰিয়া আৰু আদান-প্ৰদান সূক্ষ্ম দৃষ্টিৰে পৰিচালনা আৰু সংগঠিত কৰি তুলিব লাগিব।
- ই ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতাক বিকাশৰ বাবে সুবিধা প্ৰদান কৰে।
- ছাত্ৰ-ছাত্ৰীসকলে সাফল্যৰ স্তৰ বঢ়াবলৈ সুবিধা পায় আৰু তেওঁলোকৰ মাজত প্ৰতিযোগিতাৰ

পৰিৱেশো গঢ়ি উঠে।

- ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাক উপযুক্তভাৱে স্বীকৃতি দিয়া হয়।

কিন্তু শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমনো সমালোচনা মুক্ত নহয়। যদিও এই অভিগমনটো ব্যৱহাৰ কৰা হয় তথাপিও সকলো সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ সাফল্যৰ স্তৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত বৃদ্ধি কৰাটো কঠিন। সমৰ্থবান আৰু নিষ্ঠাবান শিক্ষকৰ অভাৱত এই অভিগমনটো সফল হ'ব নোৱাৰে। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰী প্ৰয়োজন বুজা সংবেদনশীল শিক্ষকৰ প্ৰয়োজন। বিদ্যালয়ত যদি উপযুক্ত শিক্ষণ পৰিৱেশ গঢ়ি তোলা নহয়, তেতিয়া শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমন ব্যৱহাৰ সম্ভৱ নহয়।

শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ দুটা প্ৰধান অভিগমনৰ তুলনামূলক আলোচনা তলত বিশদভাৱে দাঙি ধৰা হ'ল।

**তালিকা ২.১ শিক্ষককেন্দ্ৰিক অভিগমন আৰু শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমনৰ মাজৰ তুলনা ঃ**

| সূচক | শিক্ষককেন্দ্ৰিক অভিগমন | শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমন |
|---|---|---|
| পাঠ উদ্দেশ্য | শিক্ষকে পাঠ্যক্ৰম অনুসৰি বিষয়বোৰ পঢ়ায় | শিক্ষকে নিৰ্ধাৰণ কৰি দিয়া মতে শিক্ষাৰ্থীয়ে শিক্ষণ উদ্দেশ্য সাফল্য লাভ কৰে। |
| শিক্ষাৰ্থীয়ে কেনেকৈ শিকে | শিক্ষাৰ্থীসকলে শুনি আৰু পঢ়ি নিৰুদ্বেগভাৱে শিকে। | শিক্ষাৰ্থীয়ে পূৰ্বজ্ঞানৰ লগত নতুন জ্ঞানৰ সংযোজন কৰি শিকে। |
| | তেওঁলোকে ভাল নম্বৰ পাবলৈ স্বাধীনভাৱে শিকে। | হাতে কামে কৰাৰ ওপৰত ভিত্তি কৰে। |
| শিক্ষণনীতি | তথ্য প্ৰদানৰ ভিত্তিত | হাতে কামে কৰাৰ দ্বাৰা শিক্ষাৰ্থীসকলে বিভিন্ন কাৰ্য কৰে। |
| পাঠ্যসূচী প্ৰদান | বক্তৃতা পদ্ধতি ব্যৱহাৰ হয় | সক্ৰিয় শিক্ষণ |
| | কাৰ্য আৰু পৰীক্ষা সামগ্ৰীক উদ্দেশ্যত ব্যৱহাৰ হয়। | সহযোগী শিক্ষণ আৰু সমস্যা ভিত্তিক শিক্ষণৰ অনুশীলনী। |
| | কোনো গোট পৰিকল্পনা আৰু গোট পৰীক্ষা নাথাকে। | |
| শিক্ষকৰ ভূমিকা | মঞ্চত বিজ্ঞজন থাকে আৰু তেওঁৰ নিৰ্দেশনা মানি চলিব লাগে। | অনুশীলনীৰ বাবে কাৰ্য দিয়া হয়। গোট পৰীক্ষা অনুষ্ঠিত কৰা হয়। |
| শিক্ষণৰ সফলতা | শিক্ষকে তথ্য প্ৰদান কৰে আৰু শিক্ষাৰ্থীয়ে মুখস্থৰ দ্বাৰা শিকে। | শিক্ষক হৈছে সুবিধা প্ৰদানকাৰী আৰু তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ সৈতে |

| | | |
|---|---|---|
| | যিহেতু শিক্ষাৰ্থীয়ে মুখস্থৰ দ্বাৰা শিকে, পদ্ধতিৰ সফলতা নিৰ্ধাৰণ নোৱাৰি। | কাম কৰে।<br>শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিক্ষণ কাৰ্যাৱলীত জড়িত কৰি তোলে।<br>শিক্ষকে সকলো শিক্ষাৰ্থীক শিক্ষণত সফলতা পোৱাৰ বাবে সহায় কৰে।<br>পাৰদৰ্শিতাই শিক্ষণ উদ্দেশ্যৰ সূচক।<br>শিক্ষাৰ্থীৰ মানদণ্ড উন্নত কৰিবলৈ মান নিৰ্ণয় কৰিবলৈ মান নিৰ্ণয় কৰা উচিত। |

এতিয়া তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰক।

প্ৰঃ ৬ কিয় বেছি ভাগ শিক্ষকে শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমন মানি নচলে? তলৰ কোনটো/কোনবোৰ ওপৰৰ প্ৰশ্নটোৰ উত্তৰ?

I) এই অভিগমন মানি চলিবলৈ তেওঁলোকৰ প্ৰয়োজনীয় জ্ঞানৰ অভাৱ আৰু শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ ক্ষেত্ৰত কৌশলপূৰ্ণ সামৰ্থৰ অভাৱ।

II) তেওঁলোকে প্ৰচলিত অভিগমনটো এৰিবলৈ ইচ্ছা নকৰে।

III) শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমন মানি চলাটো কঠিন।

**২.২.৪ সামৰ্থভিত্তিক অভিগমন ঃ**

যেতিয়া আপুনি শ্ৰেণীত কোনো এটা পাঠ পঢ়াই থাকে, তেতিয়া আপুনি নিজকে সুধি চাব— ‘শিক্ষাৰ্থীসকলে আশা কৰা মতে পাঠটোৰ পৰা জ্ঞান,বোধ আৰু কৌশল আয়ত্ত কৰিব পাৰিছেনে?’ ভাল, যদি আশা কৰা শিক্ষণ ফলাফল মূৰ্তভাৱে ব্যক্ত কৰা যায়, তেতিয়া আমি শিক্ষাৰ্থীক কেনেদৰে শিকাম বা সুবিধা দিম তাৰ বিষয়ে পৰিকল্পনা কৰিব নোৱাৰো। যদি শিক্ষণৰ লক্ষ্যত উপনীত হ’ব লাগে তেন্তে ওপৰৰ প্ৰশ্নটোৰ উত্তৰ দিব লাগিব। এনে ধৰণৰ ফলাফল ভিত্তিক অভিগমনক সামৰ্থভিত্তিক অভিগমন বোলা হয়।

**কিন্তু সামৰ্থ মানে কি?**

- এই শব্দটোৰ কোনো একক অৰ্থ নাই। তলত কিছুমান উক্তি দাঙি ধৰা হ’ল। সেইবোৰ উপযুক্তভাৱে পঢ়ক।
- সামৰ্থ হৈছে বাস্তৱ পৃথিৱীৰ কাৰ্যৰ এক সফল পাৰদৰ্শিতা, যাৰ বাবে কৌশল, জ্ঞান, দৃষ্টিভংগী আচৰণৰ প্ৰয়োজন।
- সফল শিক্ষাৰ্থী হোৱাৰ বাবে সমৰ্থৰ প্ৰয়োজন।
- সাফল্য হৈছে এক কৌশল যাক বিশেষ চৰ্তৰ ভিতৰত বিশেষ মানদণ্ডৰ বাবে সম্পাদন কৰা

হয়।

- সাফল্য হৈছে এজন ব্যক্তিয়ে জন্মগতভাৱে কঢ়িয়াই অনা অৰ্ন্তনিহিত বৈশিষ্ট্য আৰু ইয়াৰ ব্যৱহাৰে সফল পাৰদৰ্শিতা আনে।
- সামৰ্থ হৈছে এজন ব্যক্তিৰ ব্যাখ্যা আৰু পৰিমাপন কাৰ্য (সম্পৰ্কযুক্ত জ্ঞান আৰু কৌশল)

এনে উক্তিসমূহৰ পৰা সামৰ্থৰ প্ৰকৃতি সম্পৰ্কে কি ধাৰণা কৰিব পাৰো?

- সামৰ্থ হৈছে এজন ব্যক্তিয়ে অৰ্জন কৰিবলগীয়া প্ৰয়োজনীয় কৌশল, জ্ঞান, দৃষ্টিভংগী আৰু আচৰণ। ই হৈছে ব্যক্তিৰ কিছুমান বৈশিষ্ট্য বা সামৰ্থ যিবোৰ সফল সম্পাদনৰ বাবে আহৰণ কৰা হয়। (কৃতকাৰ্যতা)
- ইয়াক স্পষ্টভাৱে সংজ্ঞা দিব পাৰি আৰু সেইবাবে পৰিমাপনো কৰিব পাৰিব। (পৰিমাপনযুক্ত)
- সামৰ্থৰ উক্তিবোৰ ইয়াৰ লগত জড়িত সকলোৰে বোধগম্য লগতে শিক্ষক আৰু শিক্ষাৰ্থীৰ বাবেও ই প্ৰযোজ্য। (যোগাযোগ সম্পন্ন)
- ইয়াৰ শিক্ষাৰ্থীৰ বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন মানদণ্ড বা স্তৰ থাকে। (উপযুক্ততা)

**ভাষা সামৰ্থসমূহ ঃ**

প্ৰাথমিক স্কুলৰ স্তৰৰ কিছুমান সামৰ্থৰ উদাহৰণ তলত দাঙি ধৰা হ'ল।

— শুদ্ধ উচ্চাৰণেৰে কথা কোৱা (Cl.III)

— ছপা আৰু আখৰেৰে লিখাবোৰ মুক্তভাৱে পঢ়া (Cl.V)

— যতি চিহ্নসহ শ্ৰুতলিপি প্ৰদান (Cl.V)

— এখন পাঠ্যপুথি পঢ়াৰ পিছত, 'কাৰণ' আৰু তাৰ পৰা ব্যৱহাৰ কৰি প্ৰশ্ন উত্তৰ কৰিব পৰা (Cl.IV)

**গণিতৰ সামৰ্থসমূহ ঃ**

— বস্তু আৰু ছবি ব্যৱহাৰ কৰি ১—২০ গণনা কৰা। (Cl.I)

— দৈনন্দিন জীৱনৰ সাধাৰণ সমস্যাবোৰ পদ্ধতি ব্যৱহাৰ কৰি সমাধান কৰা। (Cl.V)

— প্ৰদত্ত তথ্যৰ পৰা গড় উচ্চতা নিৰ্ণয় কৰা। (Cl.V)

— কোণমান যন্ত্ৰ ব্যৱহাৰ কৰি বিভিন্ন কোণ অংকন কৰি পৰিমাপন কৰা। (Cl.IV)

**পৰিৱেশ অধ্যয়নৰ সামৰ্থসমূহ ঃ**

— পৰিয়ালৰ ডাঙৰ বা সমনীয়া আৰু সম্পৰ্কীয় ব্যক্তি তথা ওচৰ চুবুৰীয়াৰ প্ৰতি সন্মান দেখুওৱা। (Cl. I)

— নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ উৎপাদনৰ বস্তুবোৰ তালিকা কৰা। (Cl. III)

— মানচিত্ৰৰ বিভিন্ন দিশবোৰ চিনাক্ত কৰি তাৰ বৰ্ণনা কৰা। (Cl.V)

— খোৱা পানীৰ পৰিষ্কাৰ কৰিবলৈ সাধাৰণ পৰীক্ষা সম্পাদন কৰা। (Cl.IV)

সামৰ্থভিত্তিক শিক্ষাত ব্যৱহাৰ কৰা দুটাপ্ৰধান শব্দ 'কৌশল' (skill) আৰু 'সামৰ্থ' (competency) লৈ আপোনালোকৰ খেলি-মেলি হৈছে নেকি? ভাল, কৌশল হৈছে বিশেষ স্তৰৰ দক্ষতাৰ কাৰ্য বা কাৰ্যৰ সমষ্টি, যিবোৰ সাধাৰণতে সঞ্চালনমূলক কাৰ্য আৰু বিশেষকৈ আহিলা আৰু যন্ত্ৰপাতিৰ পৰিশোধনৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। কিছুমান কৌশলসমূহ যেনে, 'সোনকালে আৰু শুদ্ধভাৱে', আৰু 'ঘৰ, বিদ্যালয় আৰু অন্য ঠাইসমূহত ভাল আচৰণৰ প্ৰশংসা কৰা' আদিবোৰ হৈছে জ্ঞান আৰু মতামতভিত্তিক।

সামৰ্থ লাভ কৰাৰ কাৰণে, কেৱল কৌশলৰ আয়ত্ত কৰণেই যথেষ্ট নহয়, এজন ব্যক্তিয়ে ধাৰ্য কৰা ধৰণে সফলতা প্ৰদৰ্শন কৰিব লাগিব। অন্য ভাষাত ক'বলৈ হ'লে এজন ব্যক্তিয়ে সমৰ্থ অৰ্জন কৰিবলৈ নিৰ্দিষ্ট কৌশলত পাৰ্গতালি (উচ্চমানৰ প্ৰদৰ্শন) দেখুৱাব পাৰিব লাগিব। উদাহৰণ স্বৰূপে, আমি তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ২টা অংকৰ সংখ্যাৰ যোগৰ ক্ষেত্ৰত পাৰ্গতালি লাভ কৰিবলৈ এটা মানদণ্ড স্থিৰ কৰিব পাৰোঁ— যেনে— '২টা অংকৰ সংখ্যাৰ যোগ সঠিকভাৱে নিৰ্দিষ্ট সময়ৰ কমেও ৮০% কৰিব পাৰিলে যদি সেইটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক ২০ কাৰ্যসহ (প্ৰতিটোত ১নম্বৰ থাকিব) কৰিব দিয়া হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে ১৬টাতকৈ বেছি কৰিব (বা ১৫ নম্বৰ পাব) আৰু সেই বিশেষ কৌশলটোত পাৰ্গতালি অৰ্জন কৰিব (বা দক্ষতা)।

আমাৰ প্ৰচলিত শিক্ষককেন্দ্ৰিক অভিগমন য'ত পাঠ্যসূচী নিৰ্দিষ্ট সময়ত শেষ কৰাত গুৰুত্ব দিয়া হয়, কিন্তু সামৰ্থভিত্তিক অভিগমনৰ গোট অগ্ৰগতিৰ ক্ষেত্ৰত বিশেষ জ্ঞান আৰু কৌশলত গুৰুত্ব আৰোপ কৰা হয়। ই শিক্ষাৰ্থীকেন্দ্ৰিক অভিগমনৰ নিচিনা যিহেতু ইয়াৰ লক্ষ্য হৈছে নিৰ্দিষ্ট শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে দক্ষতা অৰ্জন কৰা।

যদি আপুনি সামৰ্থভিত্তিক অভিগমন মানি চলিব বিচাৰে, তেতিয়া আপুনি তলত উল্লেখ কৰা দিশবোৰ চকু দিব লাগিব।

- আপুনি কোনো এটা শ্ৰেণী আৰম্ভ কৰাৰ আগতে উপনীত বা অৰ্জন কৰিবলগীয়া সামৰ্থসম্পন্ন উক্তি এখন তালিকা প্ৰস্তুত কৰিব লাগিব (এটা বিশেষ শ্ৰেণী আৰু বিশেষ বিষয় এটাৰ বাবে)। উক্তিসমূহ সচেতনভাৱে প্ৰস্তুত কৰিব লাগে যাতে শিক্ষণ-শিকন প্ৰক্ৰিয়া আৰু মান-নিৰ্ধাৰণ সঠিক ৰূপত হয়।
- কঠিনতা বঢ়াবলৈ সামৰ্থবোৰৰ আন্তঃসম্পৰ্ক থাকিব লাগে। শিক্ষণৰ বিষয়বোৰৰ মাজত সম্পৰ্ক থাকে যিবোৰৰ বিন্যাস কৰা থাকে আৰু ছাত্ৰ-ছাত্ৰীসকলে সামৰ্থবোৰ পাৰ কৰি যাওঁতে নিৰ্দিষ্ট স্তৰ অনুযায়ী যাব লাগে। যেতিয়া এজন/এজনী শিক্ষাৰ্থীয়ে এটা সামৰ্থত সফলতা অৰ্জন নকৰাকৈ পৰৱৰ্তীটোলৈ অগ্ৰসৰ হ'ব নোৱাৰে।
- সাফল্যৰ মানদণ্ড স্থিৰ কৰাৰ গুণসমূহ আৰু সফলতাৰ অন্তৰালৰ চৰ্তসমূহ পাৰ্গতালিৰ স্তৰ নিৰ্ধাৰণৰ বাবে ব্যৱহাৰ কৰিব লাগে।
- বিভিন্ন ধৰণৰ নিৰ্দেশাত্মক সঁজুলি আৰু দলীয় কাৰ্যাৱলী ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰী সাফল্য

অৰ্জনত সহায় কৰিব লাগে। এনে নিৰ্দেশাত্মক কাৰ্যসূচী ব্যক্তিৰ বিকাশৰ বাবে ব্যৱহাৰ কৰিব লাগে আৰু প্ৰত্যেক সামৰ্থৰ মূল্যায়ন কৰিব লাগে।

ইয়াৰ মূল উদ্দেশ্য হৈছে সামৰ্থ অৰ্জন কৰা। সেইবাবে, বহু বিকল্প পদ্ধতি বা সামগ্ৰী যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে সাফল্য অৰ্জনৰ বাবে প্ৰয়োজনীয় তেনেবোৰ ব্যৱহাৰ কৰিব লাগে।

- নিৰ্ধাৰিত সামৰ্থত উপনীত হ'বলৈ পাঠ্যপুথি, গণ মাধ্যম, অন্য উৎসসমূহ আৰু বাস্তৱ জীৱনৰ সামগ্ৰী ব্যৱহাৰ কৰিব লাগে।
- যেতিয়া আপোনালোকে কোনো সামৰ্থৰ মাপকাঠি নিৰ্ধাৰণ কৰিব বিচাৰে তেতিয়া অংশগ্ৰহণকাৰীৰ জ্ঞান আৰু মতামতক লক্ষ্য ৰাখিব কিন্তু মনত ৰাখিব লাগিব যে শিক্ষাৰ্থীৰ সামৰ্থৰ প্ৰকৃত পাৰদৰ্শিতা হৈছে মান নিৰ্ধাৰণৰ প্ৰাথমিক উৎস।
- ছাত্ৰ-ছাত্ৰীক বিশেষ সামৰ্থ লাভৰ বাবে নিৰ্দেশনাত্মক কাৰ্যসূচীৰ দ্বাৰা নিজ গতিত অগ্ৰসৰ হ'বলৈ অনুমতি দিব লাগে।
- ছাত্ৰ-ছাত্ৰীক পাৰদৰ্শিতাৰ মানদণ্ড নিৰ্ধাৰণ কৰি তাৎক্ষণিক প্ৰতিপুষ্টি প্ৰদান কৰিব লাগে, এনেদৰে তেওঁলোকক শুদ্ধ পথ লোৱাৰ চেষ্টাত বা সামৰ্থ ক্ষেত্ৰত পাৰ্গতালি অৰ্জন কৰাত সহায় কৰিব লাগে।
- বিশেষ সামৰ্থৰ উক্তিত ছাত্ৰ-ছাত্ৰীক নিৰ্দেশনা দিয়া হয়নে আৰু যেতিয়ালৈকে তেওঁলোকে কাৰ্যত দক্ষতা অৰ্জন নকৰে তেতিয়ালৈকে অবিৰতভাৱে কৰিবলৈ দিয়া হয়নে?

**শিক্ষণৰ নিম্নতম স্তৰ**

ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ (National Policy on Education, 1986) ৰ প্ৰতিবেদন অনুসৰি শিক্ষণৰ নিম্নতম স্তৰ (Minium levels of Learning, MLLs) হৈছে প্ৰাথমিক স্কুলৰ প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ আৰু ইয়াৰ বিষয়সমূহ হৈছে ভাষা, গণিত আৰু পৰিৱেশ অধ্যয়ন। এই শ্ৰেণীসমূহত সামৰ্থবোৰে বিষয়-বস্তুৰ সম্পৰ্ক অনুযায়ী একাদিক্ৰমে সজোৱা থাকে। প্ৰত্যেক সামৰ্থত ছাত্ৰ-ছাত্ৰী প্ৰত্যেকৰে দক্ষতাৰ প্ৰয়োজন, তেতিয়াহে তেওঁলোকে পৰৱৰ্তী পদক্ষেপলৈ আগবাঢ়িব বাৰে। সেইবাবে শিক্ষণৰ দক্ষতামূলক কৌশলে বিভিন্ন পদ্ধতি প্ৰয়োগ কৰে যাৰ লক্ষ্য হৈছে সামৰ্থসমূহে ধাৰ্য কৰা নুন্যতম স্তৰ অৰ্জন কৰা। প্ৰত্যেক সমৰ্থ লাভ কৰাৰ ক্ষেত্ৰত শিশুৱে যেতিয়ালৈ দক্ষতা অৰ্জন নকৰে তেতিয়ালৈকে 'আৱৰ্তন পদ্ধতি' পৰিকল্পনা-শিকন-পৰীক্ষা-পুনঃশিকন-পুনঃপৰীক্ষা' মানি চলিব লাগে।

এই MLL কাৰ্যসূচী ১৯৯০ চনৰ পৰা চলি আহিছে আৰু পৰৱৰ্তী সময়ত বিভিন্ন কাৰণত ইয়াৰ গুৰুত্ব কমি আহিছে। কিন্তু শ্ৰেণীকোঠাৰ শিক্ষণত সামৰ্থবোৰৰ প্ৰয়োগ আৰু সামৰ্থ ভিত্তিক মানদণ্ডৰ নিৰূপণ বৰ্তমানেও চলি আছে। (NCERT, 1991)

আপোনালোকে যি পঢ়িলে তাৰ ওপৰত ভিত্তি কৰি উত্তৰ দিয়ক।

প্ৰঃ ৭ শিক্ষককেন্দ্ৰিক আৰু সামৰ্থভিত্তিক অভিগমনৰ মাজৰ অতি কমেও তিনিটা পাৰ্থক্য লিখক।

প্ৰঃ ৮ তলৰ কোনটো সামৰ্থভিত্তিক অভিগমনৰ বৈশিষ্ট্য নহয়?

ক) ছাত্ৰ-ছাত্ৰীয়ে পূৰণৰ নেওতা অনুশীলন কৰা।

খ) প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিজ গতি অনুযায়ী শিক্ষণ লাভ কৰা।

গ) তেওঁলোকে দলত সমনীয়াৰ সহায় লোৱা। আপোনাৰ উত্তৰৰ সমৰ্থনত কমেও এটা যুক্তি দিয়ক।

**সামৰ্থভিত্তিক অভিগমনৰ উপকাৰিতা ঃ**

— সামৰ্থভিত্তিক অভিগমনে শিক্ষাৰ্থীক মুখস্থৰ পৰা আঁতৰাই ৰাখে।

— আজি ছাত্ৰ-ছাত্ৰীয়ে যি শিকিলে কালি যাতে তাক পাহৰি নাযায়, যিহেতু আপোনালোকৰ নিৰ্দেশনাত তেওঁলোকে এটা স্তৰলৈ দক্ষতা অৰ্জন কৰিছে।

— সামৰ্থৰ মানদণ্ড শিক্ষণৰ উদ্দেশ্যৰ অভিজ্ঞতাৰ সৈতে প্ৰত্যক্ষভাৱে সম্পৰ্কিত আৰু ইয়াক অবিৰত আৰু অৰ্হতা ভিত্তিক হিচাপে আশা কৰা হয়।

— মানদণ্ড নিৰ্ধাৰণৰ ফলাফল পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। নিম্ন পৰ্যায়ৰ শিক্ষাৰ্থীৰ বাবে প্ৰতিকাৰমূলক শিক্ষণ আৰু উচ্চ পৰ্যায়ৰ শিক্ষাৰ্থীৰ বাবে উদ্দীপনমূলক কাৰ্যসূচী সহায়কাৰী। যিহেতু ইয়াৰ লক্ষ্য হৈছে প্ৰত্যেক ব্যক্তিয়ে কৌশলত নিপুণতা অৰ্জন কৰা, আৰু ই সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা পূৰণ কৰে।

— ছাত্ৰ-ছাত্ৰীয়ে বন্ধুত্ব সুলভ পথেৰে সামৰ্থ অৰ্জন কৰাত কিছুমান উপযুক্ত কাৰ্যাৱলী যেনে— সাধু কোৱা, নাটক কৰা, বচন কোৱা, সাঁথৰ অনুশীলনী, শব্দ খেলা, যাদু, কুইজ আদিয়ে সহায় কৰে।

— এই অভিগমনত শিক্ষন-শিকন প্ৰক্ৰিয়াটো হৈছে আনন্দদায়ক আৰু আকৰ্ষণীয়।

**সীমাবদ্ধতাসমূহ ঃ**

- শিক্ষাৰ্থীয়ে সামৰ্থ লাভ কৰাৰ ক্ষেত্ৰত শিক্ষকৰ পাঠ্যসূচীৰ জ্ঞান যথেষ্ট গুৰুত্বপূৰ্ণ। যদি শিক্ষকগৰাকী দক্ষতাসম্পন্ন নহয় তেতিয়া এই অভিগমনটো সফল হ'ব নোৱাৰে।
- সকলো স্কুলৰ শিক্ষা পৰিৱেশ শিক্ষা গ্ৰহণৰ বাবে সমানে উপযোগী নহয় আৰু নিৰ্ধাৰিত সময় অনুসৰি সাফল্য লাভ কৰিব পৰাও নহয়।
- যিহেতু শিক্ষণৰ গতি ছাত্ৰ-ছাত্ৰী অনুযায়ী পৃথক হয়, সেইবাবে শিক্ষাৰ্থীসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত সাফল্য অৰ্জনত সহায় কৰাৰ ক্ষেত্ৰত শিক্ষকজন অসুবিধাৰ সমুখীন হয়।
- কম মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক প্ৰতিকাৰমূলক ব্যৱস্থা প্ৰদান কৰাৰ ক্ষেত্ৰত সকলো শিক্ষক দক্ষতাপূৰ্ণ নহয়। সাফল্যৰ ক্ষেত্ৰত নিপুণতা অৰ্জন কৰা শিক্ষাৰ্থীৰ বাবে কঠিন কাম আৰু বিশেষকৈ প্ৰথম পৰ্যায়ৰ শিক্ষাৰ্থীৰ বাবে।

- সাফল্যসমূহক বিশদভাৱে আন উপভাগত ভগাব পাৰি, এইটো পৰ্যবেক্ষণ কৰা গৈছে যে সকলো বিশদভাৱে লোৱা ভাগবোৰে মানদণ্ডৰ ক্ষেত্ৰত ঠাই নাপায়।
- বিশদ সাফল্যৰ তালিকা/উপ সাফল্যসমূহৰ কাৰ্যসমূহৰ নক্সাকৰণ আৰু অভীক্ষণীয় বিষয়-বস্তুসমূহ সদায় ব্যৱহাৰিক নহ'বও পাৰে।

**আগলৈ যোৱাৰ আগতে আপোনাৰ অগ্ৰগতি নিৰীক্ষণ কৰক।**

ক) সাফল্য হৈছে শিক্ষণ উদ্দেশ্য।

খ) সকলো সাফল্য ঢুকি পোৱা নাযায়।

গ) সাফল্যবোৰ মূল্যায়ন কৰিব পাৰি।

ঘ) সামৰ্থভিত্তিক শিক্ষণত শিক্ষকে বিভিন্ন ধৰণৰ কাৰ্যাৱলী উপস্থাপন কৰে আৰু শিক্ষণৰ সঁজুলি ব্যৱহাৰ কৰে।

ঙ) শিক্ষণৰ সামৰ্থভিত্তিক অভিগমনত প্ৰতিকাৰমূলক শিক্ষণৰ প্ৰয়োজন নহয়।

ঘ) পাৰ্গতালিৰ স্তৰতহে সাফল্য লাভ কৰিব পাৰি।

চ) কাৰ্যাৱলীসমূহ হৈছে সাফল্য লাভৰ মূল চাবিকাঠি।

প্ৰ. ৯ প্ৰাথমিক শ্ৰেণীৰ যিকোনো বিষয়ৰ সাফল্যৰ উক্তিৰ চাৰিটা উদাহৰণ দিয়ক।

**২.২.৫ গঠনাত্মক অভিগমন (Constuctivist Approach) ঃ**

আপুনি ভাবে নে যে শিশুসকলে কেৱল স্কুলত শিক্ষণৰ আৰম্ভণি কৰে? যদি আপুনি ভাবে যে শিক্ষণৰ আৰম্ভণি কৰে? যদি আপুনি ভাবে যে শিক্ষণৰ আৰম্ভণি স্কুলতে হয়, তেন্তে তলৰ কাৰ্যাৱলীসমূহ কৰক।

| |
|---|
| **কাৰ্য— ২** |
| ছয়বছৰীয়া শিশুৱে স্কুললৈ অহাৰ আগতে কৰা কাৰ্যসমূহৰ তালিকা এখন প্ৰস্তুত কৰক। |
| এনে কাৰ্যসমূহৰ তালিকা এখন প্ৰস্তুত কৰক। |

এনে কাৰ্যাৱলীসমূহ সি/তাই কেনেকৈ কৰে?

সি/তাই শিকা কথাবোৰ ক্ষেত্ৰত কোনোবাই সহায় কৰে নেকি? কাৰো সহায় নোলোৱাকৈ তাই/সি কেনেকৈ শিকে?

আহকচোন আমি তলৰ পৰিৱেশটো চাওঁ।

**পৰিস্থিতি ৭ ঃ**

এবাৰ মিঃ ৰবীনে শ্ৰেণীত এটা সাধুকথা কৈছিল আৰু পিছত তেওঁ সেইটো আকৌ পুনৰাবৃত্তি কৰিছিল। যেতিয়া তেওঁ ছাত্ৰসকলক এইটো পুনৰাবৃত্তি কৰিব দিছিল তেতিয়া প্ৰায় পয়সত্তৰ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে তাক পাৰিছিল। ইয়াত কিবা নতুনত্ব আছেনে? ই চিন্তাক উৎসাহ যোগায়নে?

যদি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক এটা সাধু ক'বলৈ দিলেহেঁতেন, তেতিয়া মাত্ৰ দুজন বা তিনিজনেহে হাত দাঙিলেহেঁতেন। তেতিয়া তেওঁ ছাত্ৰ-ছাত্ৰীসকলক এখন ছবি দেখুৱালে আৰু সকলোৱে স্পষ্টভাৱে  চাব পৰাকৈ বেৰত ওলোমাই থ'লে। তেতিয়া তেওঁ ছবিখন চাই ছাত্ৰ-ছাত্ৰীসকলক এটা সাধু লিখিব দিলে। ১৫ মিনিট পাছত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সাধু লিখিব পাৰিলে। কিন্তু কোনোটো সাধুৰে মিল নাই। গোটেইকেইটা সাধুৰে পৃথক আছিল।

ইয়াৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক কিছুমান শব্দ দিলে আৰু তাৰ পৰা সাধু লিখিব দিলে। পুনৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সাধু লিখিলে। একে উপাদানৰ ওপৰত কৰি বেলেগ সাধু লিখাটো কেনেকৈ সম্ভৱপৰ? (ছবি বা শব্দ) ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ককাক-আইতাক, মাক-দেউতাক আৰু খুড়াকৰ পৰা সাধু শুনিছিল। যেতিয়া তেওঁলোকে সাধু লিখিব আৰম্ভ কৰিছিল তেতিয়া তেওঁলোকে পূৰ্ব অভিজ্ঞতাৰ পুনঃস্মৰণ কৰিছিল। তেওঁলোকে নতুন জ্ঞানৰ সৈতে পূৰ্বৰ অভিজ্ঞতাৰ সম্বন্ধ স্থাপন কৰিছিল আৰু পুনঃগঠনৰ বাবে চেষ্টা কৰিছিল। শিক্ষককেন্দ্ৰিক শ্ৰেণীকোঠাত শিক্ষাৰ্থীসকল হৈছে কেৱলমাত্ৰ শুনোতা। কিন্তু এইটো গঠনাত্মক শ্ৰেণীত নহয়। গঠনাত্মক শিক্ষণ আৰু শিকনে ছাত্ৰ-ছাত্ৰীক সক্ৰিয় হিচাপে বিচাৰে আৰু ছাত্ৰৰ গঠনাত্মক জ্ঞানৰ ক্ষেত্ৰত শিক্ষকে সুবিধা প্ৰদান কৰে।

যিহেতু গঠনাত্মক শ্ৰেণী কোঠা হৈছে শিক্ষাৰ্থীকেন্দ্ৰিক, সেইবাবে ছাত্ৰ-ছাত্ৰীয়ে যথেষ্ট সুবিধা পায়। ওপৰৰ আলোচনাৰ পৰা তলৰ প্ৰশ্নসমূহ উত্তৰ কৰক।

প্ৰ. ১০ তলৰ কোনটো গঠনাত্মক অভিগমনৰ ওপৰত ভিত্তি নকৰে?

i) জ্ঞানৰ গঠনত শিক্ষাৰ্থীৰ পূৰ্ব জ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

ii) শিক্ষণ হৈছে সক্ৰিয় অৰ্থ উদ্ভাৱনৰ প্ৰক্ৰিয়া।

iii) এজন শিক্ষাৰ্থীৰ শক্তিশালী স্মৃতি শক্তি হৈছে তেওঁৰ জ্ঞান গঠনৰ ভিত্তি।

শিক্ষক হিচাপে আপুনি শ্ৰেণী কোঠাত নিজস্ব ভংগী আৰু পদ্ধতি ব্যৱহাৰ কৰে। আপোনালোকে সাধু কয়। আপুনি কেতিয়াবা ছাত্ৰ-ছাত্ৰীৰ সৈতে সাধুৰ বিকাশ কৰিছেনে?

ছাত্ৰ-ছাত্ৰীয়ে কেনেদৰে সাধুৰ বিকাশ কৰে তাৰ এটা উদাহৰণ তলত দাঙি ধৰা হ'ল।

এবাৰ এজন শিক্ষকে শ্ৰেণীৰ বোৰ্ডত কিছুমান শব্দ লিখিছিল। তেওঁৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ সৈতে এটা সাধু লিখা। শব্দসমূহ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলে সাধু কোৱাতো তেওঁ বিচাৰিছিল। তেওঁ সুধিছিল যে কোনোবাই প্ৰথম বাক্য এটা কৈ আৰম্ভ কৰিব নেকি? যেতিয়া ছাত্ৰ এগৰাকীয়ে এটা বাক্য

কৈ আৰম্ভ কৰিলে, তেতিয়া শিক্ষকে বাকী ছাত্ৰ-ছাত্ৰীক সেই বাক্যটোৰ সৈতে সম্পৰ্ক যুক্ত আন এটা বাক্য ক'বলৈ দিলে। অতি কম সময়ৰ ভিতৰত বিশটা বাক্য বোৰ্ডত লিখা হ'ল। তেতিয়া শিক্ষকে সাধুটোৰ দিশ পৰিৱৰ্তন কৰিলে আৰু নিজৰ ফালৰ পৰা দুটা বাক্য তাত সংযোগ কৰিলে। পুনৰ তেওঁ ছাত্ৰ-ছাত্ৰীক লিখিব ক'লে। পাঁচটা বাক্য পুনৰ সংযোগ কৰাৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সুধিছিল যে সাধুটো তেওঁলোকে শেষ কৰিব বিচাৰে নেকি? যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে শেষ কৰিবলৈ মান্তি হ'ল, তেতিয়া শিক্ষকে তেওঁলোকক সাধুটোৰ নাম দিবলৈ ক'লে। মন কৰিবলগীয়া যে সাধুটোৰ কেৱল এটাই নহয় বহুত নাম ওলাল।

ওপৰৰ উদাহৰণটোৰ ওপৰত ভিত্তি কৰি তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰক।

কোনে সাধুটো আৰম্ভ কৰিছিল?

সাধুটো বঢ়াবলৈ কি কৰিছিল?

কেনেকৈ সাধুটো বনোৱা হ'ল?

যেতিয়া বিশটা বাক্য লিখা হ'ল, তেতিয়া শিক্ষকগৰাকীয়ে কি কৰিছিল?

সাধু বিকাশৰ অনুশীলনত কোনে বেছিকৈ অৰিহণা যোগাইছিল?

কোনে ছাত্ৰ-ছাত্ৰীকসকলক সমৰ্থন কৰিছিল? শিক্ষকে আৰম্ভণিৰ পৰা শেষলৈ ছাত্ৰ-ছাত্ৰী সহায় কৰিছিল নে?

আপোনাৰ এনেকুৱা অভিজ্ঞতা আছিল নে? এনে অনুশীলন ভাল লগা নে?

কোনো এটা সাধু মনত ৰখাৰ পৰা কোৱা বা কিতাপৰ পৰা পঢ়ি কোৱাতকৈ এইটো পৃথক নে?

**কাৰ্য— ৩**

ইয়াত এটা সাধু আছে। এইটো আপোনাৰ শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব আৰু তলত দিয়া ধৰণে আলোচনা কৰিব।

ললিতা এজনী সৰু ছোৱালী। তাই পঞ্চম শ্ৰেণীত পঢ়িছিল। তাই বেছি বুধিয়ক নাছিল, কিন্তু তাই ভাল আৰু মৰমলগা আছিল। সকলোৱে তাইক ভাল পাইছিল। এদিন ললিতাৰ স্কুলৰ শিক্ষকে কৈছিল— 'মই এইবাৰ স্কুলত এটা বিশেষ বঁটা দিম।' ছাত্ৰ-ছাত্ৰীসকলে সুধিছিল, 'বঁটা কিহৰ কাৰণে?' 'মই তোমালোকক নকওঁ'— শিক্ষকে কৈছিল। 'তোমালোকে সকলো দিশতে ভাল কৰিবলৈ চেষ্টা কৰিবা। এইটো বছৰৰ শেষত মই তোমালোকক এই বঁটাটো কিহৰ বাবে জনাম। তেতিয়া এই সাধুটো ছাত্ৰ-ছাত্ৰীৰ মাজত হোৱা কথোপকথনৰ দ্বাৰা বাঢ়ি গৈছিল। শেষত শিক্ষকে বঁটাটো কিহৰ বাবে প্ৰদান কৰা হ'ব তাক ঘোষণা কৰিছিল। (সাধু বা গল্পটোৰ শেষৰ বাক্য)

গল্পটো কোৱাৰ পাছত তলত উল্লেখ কৰা প্ৰশ্নবোৰ সোধা হয় আৰু কিছুমান কাৰ্যাৱলী হাতত লোৱা হয়।

১. কোনটো চৰিত্ৰ আপুনি বেছি ভাল পাইছে আৰু কিয়?

২. আপুনি ভালপোৱা চৰিত্ৰটোৰ সৈতে নিজকে চিনাক্ত কৰক আৰু আন চৰিত্ৰ প্ৰস্তুত কৰি বচন নিৰ্ধাৰণ কৰক।

৩. ছাত্ৰ-ছাত্ৰীক তেনে বচন শ্ৰেণীত আঁতৰাব দিব।

৪. দলত বিকল্প বচন দিব।

ওপৰৰ কাৰ্যৰ পৰা আপুনি পৰ্যবেক্ষণ কৰিব যে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে দলীয়ভাৱে কাম কৰে, তেওঁলোকৰ ভিতৰত আদান-প্ৰদান কৰে, আৰু ইয়াত শিক্ষকৰ ভূমিকা হৈছে এজন সুবিধাপ্ৰদানকাৰী। ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ অতীত অভিজ্ঞতাক নতুন অভিজ্ঞতাৰ সৈতে সংযোগ কৰে। যিহেতু তেওঁলোকে দলীয়ভাৱে কাম কৰে, ইয়াত ভাবৰ আদান-প্ৰদান হয়। ছাত্ৰ-ছাত্ৰীয়ে এই পৰিৱেশত তলত উল্লেখ কৰা স্তৰবোৰৰ মাজেদি গতি কৰে।

(i) তেওঁলোকৰ পূৰ্ব অভিজ্ঞতাক নতুন পৰিৱেশৰ সৈতে সংযুক্ত কৰে।

(ii) গল্পৰ অনুভূতি গঢ়ে।

(iii) নতুন ভাৱধাৰাৰ অৱিহণা যোগায়।

(iv) এজনে আনজনক প্ৰশ্ন সোধে। (কৌতুহল)

(v) তেওঁলোকে ভাল পোৱা চৰিত্ৰৰ বিষয়ে ভাবক (বিচাৰ কৰক)।

এই সকলোবোৰ প্ৰক্ৰিয়াৰ লক্ষ্য হৈছে জ্ঞানৰ সংগঠন আৰু সেইবাবে এই অভিগমনটোক গঠনাত্মক (Constructivist) অভিগমন বোলা হয়। শিকন আৰু শিক্ষণৰ গঠনাত্মক অভিগমন শিক্ষণৰ গঠনাত্মক তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ মতে জ্ঞান শিক্ষাৰ্থীৰ পূৰ্ব জ্ঞানৰ পৰাহে সৃষ্টি হয়। শিক্ষাৰ্থীয়ে বৰ্তমানৰ ভাৱধাৰাৰ সৈতে নতুন ভাৱধাৰাক সংযোগ কৰি, তেওঁলোকক প্ৰদান কৰা আহিলা বা কাৰ্যাৱলীৰ ওপৰত ভিত্তি কৰি সক্ৰিয়ভাৱে নিজৰ জ্ঞান গঠন কৰে।

**গঠনাত্মক (Constructivism) তত্ত্ব ঃ**

গঠনাত্মক তত্ত্ব হৈছে এক দৰ্শন যাৰ উৎপত্তি ১৮ শতিকাৰ আৰম্ভণিৰ ইটালিয়ান দাৰ্শনিক গেইমভাটিষ্টা ভিকো (Giambattista Vico) সৈতে জড়িত। বৰ্তমান সময়ত শিক্ষাৰ দৰ্শন হিচাপে ইয়াৰ বিস্তৃতি ঘটিছে বিশেষকৈ চুইছ মনোবিদ জ্যা পিয়াজে (১৮৯৬-১৯৪০) আৰু ৰাছিয়ান মনোবিদ লেভ ভাইগোটস্কি (১৮৯৬-১৯৩৪) অৱিহণাৰ ফলস্বৰূপে।

বিস্তৃত গঠনাত্মক তত্ত্ব পিয়াজেৰ সংজ্ঞানাত্মক বিকাশৰ ওপৰত প্ৰতিষ্ঠিত, ইয়াত কোৱা হৈছে যে জ্ঞান শিক্ষাৰ্থীসকলে সক্ৰিয়ভাৱে গঠন কৰে, পৰিৱেশৰ পৰা আহৰণ কৰি নহয়। 'জানিবলৈ অহা' (coming to konws)-টো হৈছে অভিযোজনৰ এক প্ৰক্ৰিয়া যিটো শিক্ষাৰ্থীয়ে লাভ কৰা অভিজ্ঞতা আৰু অবিৰত সংশোধন ওপৰত ভিত্তি কৰি গঢ়ি উঠে।

ভাইগোটস্কিয়ে সামাজিক গঠনৰ দ্বাৰা প্ৰভাৱিত হৈ সংজ্ঞাত্মক বিকাশৰ ওপৰত কাম কৰিছিল,

যিটো ব্যক্তিৰ সামাজিক আদান-প্ৰদানৰ প্ৰভাৱত হোৱা পৰিৱেশৰ অভিযোজনৰ দ্বাৰা হোৱা জ্ঞান গঠনৰ ওপৰত হেঁচা দিয়ে। এনে সামাজিক আদান-প্ৰদান সমনীয়াৰ সৈতে হোৱা কাৰ্য, শিক্ষকৰ সৈতে হোৱা আদান-প্ৰদান, পিতৃ-মাতৃ বা আনৰ সৈতেও হ'ব পাৰে।

**তলত গঠনাত্মক শ্ৰেণীকোঠাক উৎসাহিত কৰিব পৰা কিছুমান কাৰ্যাৱলী হৈছে—**

● **পৰীক্ষাভিত্তিক ঃ** ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিগতভাৱে কিছুমান পৰীক্ষা সম্পাদন কৰে আৰু তাৰ পিছত দলীয়ভাৱে ফলাফলসমূহ আলোচনা কৰে।

● **প্ৰকল্প কাৰ্য ঃ** ছাত্ৰ-ছাত্ৰীয়ে প্ৰকল্পৰ বাবে এটা বিষয় বাচি লয় আৰু প্ৰকল্প শেষ কৰি শ্ৰেণীত তাক উপস্থাপন কৰে।

● **ক্ষেত্ৰ অধ্যয়ন ঃ** ই ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত লাভ কৰা ধাৰণা আৰু ভাৱধাৰাৰ বাস্তৱ অভিজ্ঞতা দিয়ে। শ্ৰেণীকোঠাৰ আলোচনাৰ দ্বাৰা ক্ষেত্ৰ অধ্যয়ন সম্পন্ন কৰা হয়।

● **শ্ৰেণীৰ আলোচনা ঃ** এই কৌশলটো ওপৰত উল্লেখিত গোটেইবোৰ পদ্ধতিত ব্যৱহাৰ কৰা হয়। এইটো হৈছে গঠনাত্মক শিকন পদ্ধতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ।

**ওপৰত উল্লেখিত বৈশিষ্ট্যসমূহৰ আধাৰত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক।**

প্ৰ. ১১ তলৰ কোনটো গঠনাত্মক অভিগমনৰ অন্তৰ্গত নহয়?

ক) ছাত্ৰ-ছাত্ৰীয়ে নিজৰ অভিজ্ঞতাৰ অৰ্থ উলিয়ায়।

খ) শিক্ষণৰ ফলাফলৰ মানদণ্ড নিৰ্ধাৰণ শিক্ষণ প্ৰক্ৰিয়াতকৈ বেছি গুৰুত্বপূৰ্ণ।

গ) শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিক্ষণৰ বাবে নিৰ্দেশনা দিয়াতকৈ সুবিধাহে প্ৰদান কৰিব লাগে।

আপোনাৰ উত্তৰ যুক্তি সহকাৰে দিয়ক।

গঠনাত্মক শ্ৰেণীকোঠাত, ছাত্ৰ-ছাত্ৰীয়ে প্ৰধানকৈ দলীয়ভাৱে কাম কৰে, য'ত শিক্ষণ আৰু জ্ঞানৰ সক্ৰিয় আৰু দুয়োটাৰ বিনিময় হয়। আমি ইয়াত প্ৰচলিত শ্ৰেণীকোঠাত দেখা নাপাওঁ, য'ত ছাত্ৰ-ছাত্ৰীয়ে অকলে কাৰ্য কৰে। তেনেকুৱা পৰিস্থিতিত পুনৰ অনুশীলনৰ ফলত শিক্ষণ উদ্ভৱ হয় আৰু ছাত্ৰ-ছাত্ৰীয়ে প্ৰধানকৈ পাঠ্যপুথিৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু গঠনাত্মক শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা সম্পাদন কৰে আৰু কিছুমান প্ৰকল্প কাৰ্য কৰে। তেওঁলোকে কামবোৰ ব্যক্তিগতভাৱে আৰম্ভ কৰে আৰু পিছত দলীয়ভাৱে ফলাফল আলোচনা কৰে। তেওঁলোকে শ্ৰেণীকোঠাৰ বাহিৰলৈ গৈ বাগিছাত পৰ্য্যবেক্ষণ কৰে বা সংগ্ৰাহালয়লৈ যায়। তেওঁলোকৰ পৰ্য্যবেক্ষণসমূহ টুকি ৰখাৰ পিছত দলীয়ভাৱে নিজৰ পৰ্য্যবেক্ষণসমূহৰ বিষয়ে আলোচনা কৰে। দলীয় আলোচনাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কাৰ্যাৱলীসমূহ তৰ্ক, বৌদ্ধিক অংশগ্ৰহণ আৰু চিত্ৰৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে।

শিক্ষণ কাৰ্য্যৰ অন্য এটা উদাহৰণ—

**ভাষা ঃ ইংৰাজী, চতুৰ্থ শ্ৰেণী**

**সমস্যা ঃ** পাঠ্যপুথিৰ পৰা বা অন্য পঢ়াৰ সামগ্ৰীৰ পৰা এটা খণ্ড লওঁক। শিক্ষাৰ্থীক এই কথাখিনিৰ সৈতে অৰ্থপূৰ্ণ বাক্য সংযোগ কৰি বহলাই লিখিবলৈ কওক।

**পদ্ধতি ঃ** সমস্যাটো প্ৰত্যেক ব্যক্তিয়ে সমাধান কৰিব লাগিব। তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত খণ্ডটো সম্পূৰ্ণ কৰি উপস্থাপন কৰিব। এইটো আলোচনা কৰা হ'ব। ছাত্ৰ-ছাত্ৰীৰ গঠন কৌশলৰ মূল্যায়ন কৰা হ'ব।

**ছেদ (Paragraph) ঃ**

এসময়ত এজন বনৰ ৰজা সিংহ আছিল। সি বৰ শক্তিশালী জন্তু আছিল। সকলো জন্তুৱে তাক ভয় কৰিছিল। সিহঁতে তাৰ খাদ্যৰ বাবে প্ৰতিদিনে এটা নতুন জন্তু পঠিয়াইছিল। এদিনাখন ৰাতিপুৱা সিংহটোৱে মন্ত্ৰীসভা পাতিবলৈ স্থিৰ কৰিলে। সি শিয়ালক তাৰ মন্ত্ৰী হ'বলৈ ক'লে। সি বুঢ়া ঢেঁকীয়াপতীয়া বাঘক দেহৰক্ষী হিচাপে নিৰ্বাচন কৰিলে। সভাত সিংহই সকলো জন্তুৰ সৈতে বন্ধুৰ নিচিনা ব্যৱহাৰ কৰিবলৈ মান্তি হ'ল।

(প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক ইয়াৰ পিছত এশাৰীকৈ বাক্য লিখিবলৈ কওঁক।)

সাধুটোৰ শেষত ছাত্ৰ-ছাত্ৰীসকলক অভিনয় কৰিবলৈ কওঁক আৰু তেওঁলোকৰ মাজত আলোচনাৰ দ্বাৰা ইয়াৰ চৰিত্ৰসমূহৰ ভাও দিবলৈ কওঁক। শিক্ষকে ছাত্ৰ-ছাত্ৰীক বচন ঠিক কৰোঁতে সহায় কৰিব পাৰে। শেষত কিছুমান মুক্ত প্ৰশ্ন সোধক।

ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা পৰ্যবেক্ষণ কৰক। তেওঁলোকৰ ভিতৰত যাৰ পাৰদৰ্শিতা ভাল তেওঁক প্ৰশংসা কৰক।

**আপোনালোকে লক্ষ্য কৰিলেনে কেনেকৈ ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ গঠন কৰে?**

**গঠনাত্মক অভিগমনৰ বৈশিষ্টসমূহ ঃ**

যদি কোনোবাই গঠনাত্মক শ্ৰেণী কোঠা পৰ্যবেক্ষণ কৰে তেন্তে সি/তাই তলৰ বস্তুসমূহ দেখা পাব। ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে শিক্ষণত অংশগ্ৰহণ কৰে।

- পৰিৱেশটো গণতান্ত্ৰিক
- কাৰ্যাৱলীসমূহ বিনিময় মূলক আৰু শিক্ষাৰ্থীকেন্দ্ৰিক
- শিক্ষকে শিক্ষণ প্ৰক্ৰিয়াৰ সুবিধা প্ৰদান কৰে য'ত ছাত্ৰ-ছাত্ৰীসকলক দায়িত্বশীল সদস্যৰ নিচিনাকৈ সক্ৰিয়ভাৱে কাম কৰাৰ বাবে উৎসাহ প্ৰদান কৰা হয়।
- ছাত্ৰ-ছাত্ৰীয়ে আগবঢ়োৱা মতামত, ভাৱধাৰা আদিক গ্ৰহণ কৰা হয় আৰু সন্মান দিয়া হয়।
- ছাত্ৰ-ছাত্ৰীয়ে নিজৰ অভিজ্ঞতাৰ পৰা অৰ্থ দাঙি ধৰিব পাৰে।
- প্ৰক্ৰিয়া হৈছে এক গুৰুত্বপূৰ্ণ উৎপাদন।

- শিকনতকৈ শিক্ষণত বেছি গুৰুত্ব প্ৰদান কৰিব লাগে।

**গঠনাত্মক মানদণ্ড নিৰ্ধাৰণ ঃ**

প্ৰচলিত শ্ৰেণীকোঠাত শিক্ষণ আৰু শিকনৰ অন্তত, শিক্ষকে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কিছুমান দিয়ে, আৰু ছাত্ৰ-ছাত্ৰীয়ে সেইবোৰৰ শুদ্ধ উত্তৰ দিব বুলি আশা কৰা হয়। কেৱল পৰীক্ষাৰ ওপৰত ভিত্তি কৰিয়েই মানদণ্ড নিৰ্ধাৰণ কৰা নহয়, ছাত্ৰ-ছাত্ৰীৰ কাৰ্যবোৰক নিৰীক্ষণ কৰা হয়, কেনেকৈ তেওঁলোকে ভাব বিনিময় কৰে, কোনো এটা বিষয়ত সামৰণি দাঙি ধৰে আদি। মানদণ্ড নিৰ্ধাৰণৰ কিছুমান কৌশলে তলত উল্লেখ কৰা দিশসমূহ অন্তৰ্ভুক্ত কৰে।

- **মৌখিক আলোচনা ঃ** শিক্ষকে বোৰ্ডত এটা প্ৰশ্ন লিখি সেই বিষয়টোত আলোচনা কৰিবলৈ দিব। যেতিয়া আলোচনাত ভাগ ল'ব তেতিয়া সি/তাই আন সকলৰ পাৰদৰ্শিতা নিৰীক্ষণ কৰিব।

- **মনৰ মানচিত্ৰ ঃ** এই কাৰ্যত ছাত্ৰ-ছাত্ৰীয়ে বিষয়ৰ লগত সম্পৰ্ক থকা ধাৰণা আৰু ভাবধাৰা বাচি উলিয়াই ভাগ কৰি ল'ব।

- ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশৰ সৈতে ভাব বিনিময় বা আহিলা কৌশলেৰে ব্যৱহাৰ কৰাত উৎসাহ যোগোৱা হয়। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা চিহ্নাংকন সূচী আৰু নিৰীক্ষণীয় সূচী ব্যৱহাৰ কৰি সংৰক্ষণ কৰি ৰাখে।

- শিক্ষকে প্ৰাক্ পৰীক্ষা অনুষ্ঠিত কৰে ছাত্ৰ-ছাত্ৰী পাঠৰ ওপৰত জ্ঞান জানিবলৈ, তাৰ পাছতহে নতুন জ্ঞান দাঙি দৰে।

**প্ৰাসংগিকতা (Relevance) ঃ**

শিক্ষণ-শিকন প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলে নিজকে সক্ৰিয়ভাৱে নিয়োজিত কৰা বাবে তেওঁলোকে শিক্ষণৰ পৰা আনন্দ পায় আৰু শিক্ষণ বেছি ফলপ্ৰসু হয়। তেওঁলোকে শ্ৰেণীত কেৱল শুনিয়েই নাথাকে। চিন্তা আৰু বোধৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰা হয়। গঠনাত্মক শ্ৰেণীকোঠাত প্ৰত্যেক ব্যক্তিয়ে নিজকে শিক্ষণ কাৰ্যৰ সক্ৰিয় ব্যক্তি স্বৰূপে অনুভৱ কৰে। কাৰণ প্ৰত্যেকে নিজৰ ভাবধাৰাৰে শিক্ষণ ব্যৱস্থাত অৰিহণা যোগায়। সেইবাবে ছাত্ৰ-ছাত্ৰীয়ে যি শিকে তাত নিজৰো ভাগ থাকে। এতিয়া ভাবকচোন আমাৰ পৰম্পৰাগত শ্ৰেণীকোঠাত এইবোৰ পোৱা যায় নে?

**সীমাবদ্ধতা (limitations) ঃ**

গঠনাত্মক নীতিৰ দ্বাৰা পৰিচালিত শ্ৰেণী কোঠাৰ সংগঠনৰ বাবে শিক্ষক অকলে সামৰ্থবান হ'ব নোৱাৰে। উপযুক্ত প্ৰদৰ্শকৰ অবিহনে এই কাৰ্য সম্ভৱ নহয়। যদিহে শিক্ষক উপযুক্ততা নাথাকে, এই কাৰ্য ফলপ্ৰসু নহয় আৰু যদি শিক্ষকগৰাকী সামৰ্থবান হয় কিন্তু ছাত্ৰসকল নিম্নমানৰ হয়, তেতিয়াও গঠনাত্মক শ্ৰেণীৰ কোঠাৰ উদ্দেশ্য ফলৱতী নহয়।

**২.৩ অভিগমনসমূহৰ মাজৰ তুলনা ঃ**

তিনিওটা প্ৰধান অভিগমনৰ মাজৰ তুলনামূলক আলোচনা তলত দাঙি ধৰা হ'ল।

| নিৰ্দেশক | শিক্ষককেন্দ্ৰিক অভিগমন | শিক্ষাৰ্থীকেন্দ্ৰিক | গঠনাত্মক অভিগমন |
|---|---|---|---|
| উদ্দেশ্য | শিক্ষকৰ উদ্দেশ্য সময়মতে পাঠ্যশেষ কৰা | প্ৰত্যেক শিক্ষাৰ্থীয়ে কৰ্মৰ দ্বাৰা শিকা | শিক্ষাৰ্থীৰ সবলীকৰণ হৈছে প্ৰধান উদ্দেশ্য। ইয়াত ছাত্ৰ-ছাত্ৰীক জ্ঞান গঠনত সহায় কৰা হয়। |
| শিক্ষণ-শিকনৰ ভংগিমা | ইয়াত কেৱল এটাই ভংগিমা আছে। শিক্ষকে তথ্য দাঙি ধৰে আৰু ছাত্ৰই তাক আয়ত্ত কৰে | শিক্ষকে শিক্ষাৰ পৰিৱেশ প্ৰদান কৰে আৰু শিক্ষাৰ্থীলৈ পৰ্যবেক্ষণ, প্ৰশ্নসোধা আৰু ব্যাখ্যাকৰণৰ দ্বাৰা শিকে | শিক্ষণ কাৰ্য তেওঁলোকৰ নিজস্ব ধৰণে শেষ কৰে। সহযোগী শিক্ষণ ইয়াত প্ৰয়োগ হয়। |
| কাৰ্য অনুশীলন | পাঠ্যপ্ৰশ্নবোৰ উত্তৰ কৰি মুখস্থ কৰা হয় | ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কাৰ্যত অংশগ্ৰহণ কৰে | শ্ৰেণীত ভাব বিনিময় হয়। শিক্ষক-ছাত্ৰ, ছাত্ৰ-শিক্ষক আৰু ছাত্ৰসকলৰ মাজৰ ভাবৰ আদান-প্ৰদান ঘটে। |
| যোগাযোগৰ মাধ্যম | ইয়াত একপক্ষীয় যোগাযোগ ঘটে, ছাত্ৰ-ছাত্ৰীয়ে বহি শিক্ষকৰ বক্তৃতা শুনে | ছাত্ৰ-ছাত্ৰীয়ে শিক্ষক আৰু সমনীয়াৰ লগত ভাব বিনিময় কৰে | ছাত্ৰ-ছাত্ৰীয়ে শিক্ষন কাৰ্য দলীয়ভাৱে কৰে আৰু শিক্ষকে সুবিধা প্ৰদান কৰে। |
| ভাগ-বতৰা | ছাত্ৰ-ছাত্ৰীৰ মাজত কোনো ধৰণৰ ভাগ-বতৰা নাথাকে, শিক্ষকৰ মতে সকলো কাৰ্য হয়, দলীয় কাৰ্য খুব কমেই | ছাত্ৰ-ছাত্ৰীসকলে দলীয় আৰু ব্যক্তিগতভাৱে সহযোগিতা কৰে | ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগতভাৱে কাৰ্য কৰে আৰু দলীয়ভাৱে তাৰ আলোচনা কৰি জ্ঞান গঠন কৰে। |
| শ্ৰেণীৰ পৰিৱেশ | ইয়াত স্বাধীনতা কম থাকে আৰু শিক্ষাৰ্থীক নিস্ক্ৰিয়ভাৱে ৰখা হয় | শ্ৰেণীৰ পৰিৱেশ গণতান্ত্ৰিক | শ্ৰেণীৰ পৰিৱেশ গণতান্ত্ৰিক। |
| প্ৰশ্ন সোধা | তেওঁলোকে কেতিয়াও প্ৰশ্ন নোসোধে। | প্ৰশ্ন সোধাৰ বাবে শিক্ষাৰ্থীসকল সুবিধা পায় | প্ৰশ্ন সুধিবলৈ শিক্ষাৰ্থীসকলক উৎসাহিত কৰা হয় আৰু প্ৰশ্ন বনাবলৈ তেওঁলোকক এটা সুযোগ দিয়া হয়। |
| প্ৰকল্প | শিক্ষাৰ্থীসকল প্ৰকল্প কাৰ্যৰ সৈতে পৰিচিত নহয় | শিক্ষাৰ্থীয়ে প্ৰকল্প শিক্ষকৰ সহায়ও কৰে | ব্যক্তিগতভাৱে শিক্ষকে দিয়া প্ৰকল্প শিক্ষাৰ্থীয়ে কৰে। |

## ২.৪ জানি থোৱা ভাল ঃ

শ্ৰেণীকোঠাৰ পৰিৱেশত, সম্পূৰ্ণ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াই ছাত্ৰ, শিক্ষক আৰু বিষয়-বস্তুক অন্তভুৰ্ক্ত কৰি শিক্ষণ আৰু শিকনৰ অভিগমন গঠন কৰে। প্ৰত্যেক অভিগমনৰে উপকাৰিতা আৰু সীমাবদ্ধতা আছে আৰু কোনটো অভিগমন আমাৰ প্ৰয়োজনৰ বাবে উপযোগী তাৰ ওপৰত নিৰ্ভৰ কৰে। এই অধ্যায়টো আমি তেনেকুৱা কেইটামান অভিগমন পালো, যেনে— শিক্ষক কেন্দ্ৰিক, বিষয় কেন্দ্ৰিক, শিক্ষাৰ্থী কেন্দ্ৰিক, কাৰ্যভিত্তিক, সামৰ্থভিত্তিক আৰু গঠনাত্মক অভিগমনৰ বিষয়ে আলোচনা কৰা হ'ল।

- প্ৰচলিত শিক্ষক কেন্দ্ৰিক অভিগমনত সমগ্ৰ কাৰ্যাৱলী শিক্ষকক কেন্দ্ৰ কৰি ঘূৰে। পাঠ্যক্ৰম প্ৰস্তুত, শ্ৰেণীত আদান-প্ৰদান আৰু শিক্ষণ-শিকনৰ প্ৰক্ৰিয়াৰ সকলো দিশ শিক্ষকে নিৰ্ধাৰণ কৰে।
- বিষয় কেন্দ্ৰিক অভিগমনত বিষয় সময় মতে শেষ কৰা, পাঠ্যপুথিত অন্তভুৰ্ক্ত বিষয়ৰ পাঠবোৰ নিৰ্ধাৰিত সময় অনুযায়ী সমাপ্ত কৰা হয়।

  এইটো অভিগমনত পাঠ্যক্ৰমৰ বিষয়সূচী শেষ কৰিব লাগে বাবে মুখস্থৰ ওপৰত গুৰুত্ব দিয়া হয়, শিক্ষণৰ ফলাফলক প্ৰাধান্য দিয়া নহয়।
- শিক্ষাৰ্থীৰ সকলো দিশৰ বিকাশ হৈছে শিক্ষাৰ্থী কেন্দ্ৰিক অভিগমনৰ মূল উদ্দেশ্য। এই অভিগমনৰ উদাহৰণ হৈছে কাৰ্যভিত্তিক শিক্ষণ, যিটো বৰ্তমান বহুত স্কুলত গ্ৰহণ কৰা হৈছে।
- সামৰ্থভিত্তিক অভিগমনত সামৰ্থসমূহৰ প্ৰাপ্তি বা শিক্ষণ ফলাফলক অধিক প্ৰাধান্য দিয়া হয়।
- গঠনাত্মক অভিগমনৰ মতে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ্থী হিচাপে সি/তাইৰ নিজৰ জ্ঞান পূৰ্ব অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি গঠন কৰে আৰু লগতে সি/তাই চাৰিওফালৰ সামাজিক পৰিৱেশৰ প্ৰভাৱো জ্ঞান গঠন কৰে। এই প্ৰকাৰৰ অভিগমনত সুবিধা প্ৰদানকাৰী স্বৰূপে শিক্ষকেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- প্ৰত্যেক অভিগমনসমূহৰ সবলতা আৰু দুৰ্বলতা আছে। ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা আৰু শিক্ষণ পৰিৱেশ অনুযায়ী শিক্ষকে উপযুক্ত অভিগমন বিচাৰ কৰি ল'ব লাগে।

২.৫ অগ্ৰগতি নিৰীক্ষণৰ বাবে আৰ্হি উত্তৰসমূহ ঃ

প্ৰ. ১ পৰিস্থিতি ১ আৰু ২

প্ৰ. ২ পৰিস্থিতি ৩

প্ৰ. ৩ B

প্ৰ. ৪ A আৰু C

প্ৰ. ৫ b আৰু e

প্ৰ. ৬ i) আৰু ii)

প্ৰ. ৮ A

প্ৰ. ৯ a, c, d, f আৰু g শুদ্ধ আৰু b, e ভুল

প্ৰ. ১০ (ii)

প্ৰ. ১১ B

২.৬ অধিক জানিবলৈ

- শিক্ষা প্ৰযুক্তি বিদ্যা আৰু শিক্ষণ প্ৰণালী

  — ডেকা. ডেকা. শৰ্মা. মিশ্ৰ চক্ৰৱৰ্তী

- শিক্ষা প্ৰযুক্তি বিজ্ঞানৰ অধ্যয়ন— যতীন বৰুৱা

২.৭ অধ্যায়ৰ শেষৰ অনুশীলনী ঃ

১. বিষয় কেন্দ্ৰিক অভিগমন আৰু সামৰ্থভিত্তিক অভিগমনৰ মাজত তুলনা কৰক।

২. শিক্ষক কেন্দ্ৰিক অভিগমন আৰু গঠনাত্মক অভিগমনৰ মাজত তুলনা কৰক।

৩. শিক্ষাৰ্থী কেন্দ্ৰিক অভিগমনৰ সুবিধাবোৰ কি কি? ইয়াৰ সীমাবদ্ধতাবোৰ কি কি?

৪. গঠনাত্মক অভিগমনৰ মানদণ্ড নিৰ্ধাৰণৰ প্ৰধান প্ৰকাৰবোৰ কি কি?